মোবাইল ফ্ৰেইণ্ডলি
অষ্টম বৰ্ষপূৰ্তিত
News Next Oneৰ
বিশেষ সংযোজন
অনলাইন দৈনিক

www.newsnextone.com
e সংবাদ

Sacn to Donate
NEWSNEXTONE.COM

TUESDAY, APRIL 02, 2024 www.newsnextone.comৰ অনলাইন দৈনিক ।। প্ৰথম বছৰ, সংখ্যা ৯৫ Guwahati, Assam ।। মূল্যঃ এটকা

**গীতা-ৰামায়ণ পঢ়ি কটাব সময় ■ বিপদ বাঢ়িছে আতিশী, সৌৰভৰো**

# তিহাৰ জেললৈ কেজৰিৱাল

**নতুন দিল্লী, ১ এপ্ৰিলঃ** অৱশেষত তিহাৰ জেল নতুন ঠিকনা হৈ পৰিল দিল্লীৰ মুখ্যমন্ত্ৰী তথা আম আদমী পাৰ্টীৰ মুৰব্বী অৰবিন্দ কেজৰিৱালৰ। দিল্লীৰ সুৰা নীতি তথা ধন ৰপ্তানিৰ গোচৰত অৰবিন্দ কেজৰিৱালক ১৫ এপ্ৰিললৈ তিহাৰ জেললৈ প্ৰেৰণ কৰিছে আদালতে। অৰবিন্দ কেজৰিৱাল জড়িত দুটা গোচৰৰ শুনানি সোমবাৰে ৰাউজ এভিনিউ আদালত আৰু দিল্লী উচ্চ ন্যায়ালয়ত অনুষ্ঠিত হয়। ইডিৰ



জিম্মা শেষ হোৱাৰ পিছত ৰাউজ এভিনিউ আদালতত হাজিৰ কৰোৱা হয়। আদালতত শুনানিৰ অন্তত ন্যায়িক জিম্মালৈ প্ৰেৰণ কৰা হয় কেজৰিৱালক। আদালতে তিহাৰ জেলত শেষাংশ ২ পৃষ্ঠাত



খেল দেখুৱাইছে ৰিয়ানে

## সকাহ পালে কংগ্ৰেছে

**নতুন দিল্লী, ১ এপ্ৰিলঃ** নিৰ্বাচনৰ পূৰ্বে পলমকৈ হ'লেও কিছু সকাহ লাভ কৰিছে দেশৰ প্ৰধান বিৰোধী দল কংগ্ৰেছে। কেন্দ্ৰীয় চৰকাৰে দেশৰ মুখ্য বিৰোধী দল কংগ্ৰেছৰ বিৰুদ্ধে জুলাইলৈকে ৩,৫০০ কোটি টকাৰ কৰক লৈ কোনো বলপূৰ্বক ব্যৱস্থা গ্ৰহণ নকৰে। আজি এই কথা উচ্চতম ন্যায়ালয়ক অৱগত কৰে কেন্দ্ৰীয় চৰকাৰে। আয়কৰ বিভাগে উচ্চতম শেষাংশ ৩ পৃষ্ঠাত

## ডমিস্ক'ত ইজৰাইলৰ আক্ৰমণ

**ডমিস্ক', ১ এপ্ৰিলঃ** ছিৰিয়াৰ চৰকাৰী সংবাদ সংস্থাই সোমবাৰে ইজৰাইলে দেশখনৰ ৰাজধানী ডমিস্ক'ত বিমানেৰে আক্ৰমণ চলোৱা শেষাংশ ৩ পৃষ্ঠাত

১১ পৃষ্ঠাত **ৰিয়ানৰ বেটিং বিক্ৰমত বিধ্বস্ত হ'ল মুম্বাই ইণ্ডিয়ানছ**

৬ পৃষ্ঠাত **ৰাজ্যৰ বিভিন্ন ঠাইত ধুমুহাৰ তাণ্ডৱ, ৪ জনৰ মৃত্যু**

## মোদীয়েই হ'ব প্ৰধানমন্ত্ৰী, শ্বাহৰ দাবী

■ সবিশেষ ২ পৃষ্ঠাত

## সুদৰ ব্যৱসায়! জালত গ্ৰামোন্নয়ন বিভাগৰ কৰ্মচাৰী

■ সবিশেষ বাতৰি ৫ পৃষ্ঠাত চাওক

## বৰপেটাত ৰে'ল গেটক লৈ তীব্ৰ প্ৰতিবাদ

সবিশেষ ৫ পৃষ্ঠাত




চৰকাৰী শিক্ষানুষ্ঠানত নামভৰ্তিৰ বাবে ৰজালীত অভিভাৱকে এনেকৈ ভিৰ কৰিছে, সবিশেষ ৮ পৃষ্ঠাত

## গৌৰৱ গগৈক ভোট দিবলৈ আহ্বান দেৱব্ৰত শইকীয়াৰ, পুস্তিকা প্ৰকাশ

**ই-সংবাদ, ১ এপ্ৰিলঃ** কংগ্ৰেছৰ জ্যেষ্ঠ নেতা তথা বিৰোধী দলপতি দেৱব্ৰত শইকীয়াই আজি যোৰহাট সমষ্টিৰ কংগ্ৰেছ প্ৰাৰ্থী গৌৰৱ গগৈৰ সমৰ্থনত এখন পুস্তিকা প্ৰকাশ কৰে। শিৱসাগৰস্থিত কংগ্ৰেছ কাৰ্যালয়ত গৌৰৱ গগৈ আৰু প্ৰদেশ কংগ্ৰেছৰ শেষাংশ ৪ পৃষ্ঠাত

## অৰুণাচল প্ৰদেশক আকৌ নিজৰ বুলি দাবী চীনৰ, সলালে নাম

**মোদীৰ বিদেশ নীতিক সমালোচনা খাৰ্গেৰ**



**নতুন দিল্লী, ১ এপ্ৰিলঃ** নৰেন্দ্ৰ মোদী প্ৰধানমন্ত্ৰী হ'লেই চীনে ভয়ত কঁপিব বুলি ২০১৪ চনৰ লোকসভা নিৰ্বাচনৰ সময়ত বিজেপিয়ে প্ৰচাৰ কৰিছিল যদিও সম্প্ৰতি তাৰ বিপৰীত দৃশ্যহে দেখা গৈছে। মোদী শাসনলৈ অহাৰ পিছৰে পৰা চীনে গালৱানসহ কেবাঠাইতো ভাৰতীয় সেনাৰে সংঘাতত লিপ্ত হোৱাৰ শেষাংশ ৩ পৃষ্ঠাত

## মন গ'লেই জাৰ্মানীত খাব পাৰিব ভাং

**বাৰ্লিন, ১ এপ্ৰিলঃ** জাৰ্মানীত আজিৰে পৰা ভাং বা গাঞ্জাৰ ওপৰত থকা নিষেধাজ্ঞা একপ্ৰকাৰ উঠাই লোৱা হৈছে। অৱশ্যে ইয়াৰ ব্যৱহাৰৰ ক্ষেত্ৰত কিছু নিয়ম নিৰ্ধাৰণ কৰি দিয়া হৈছে। এই অনুযায়ী এতিয়াৰে পৰা চৰকাৰে নিৰ্ধাৰণ শেষাংশ ৪ পৃষ্ঠাত

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# তিহাৰ জেললৈ কেজৰিৱাল

১৫ এপ্ৰিল পৰ্যন্ত ৰখাৰ নিৰ্দেশ দিয়েঁ৷ আজি ৰাউজ এভিনিউ আদালতত প্ৰৱৰ্তন সঞ্চালকালয়ে (ইডি) সুৰা কেলেংকাৰী গোচৰক লৈ আপৰ দুই মন্ত্ৰীৰ নাম লয়৷ ইডি-এ দাবী কৰি কয় যে অৰবিন্দ কেজৰিৱালে জেৰাত কৈছে যে বিজয় নায়াৰে আতিশী আৰু সৌৰভ ভৰদ্বাজৰ সৈতে যোগাযোগত আছিল। বিজয় নায়াৰ আপৰ প্ৰাক্তন মিডিয়া আৰু ৰণনীতিকাৰ আছিল৷ দিল্লীৰ ৰাউজ এভিনিউ আদালতত ইডিয়ে কেজৰিৱালে তদন্তত সহযোগিতা কৰা নাই বুলি অভিযোগ আনে। প্ৰশ্নবোৰৰ অপ্ৰত্যাশিত উত্তৰ দি লগতে গোচৰৰ তদন্ত সম্পৰ্কীয় তথ্য গোপনে ৰাখিছে বুলি কয়৷ ৰাউজ এভিনিউ আদালতত ইডিয়ে কেজৰিৱালৰ ন্যায়িক জিম্মা ১৫ দিনৰ বাবে বিচাৰিছিল। আদালতে অনুৰোধ গ্ৰহণ কৰি দিল্লীৰ মুখ্যমন্ত্ৰীক ১৫ এপ্ৰিললৈকে দিল্লীৰ তিহাৰ কাৰাগাৰলৈ প্ৰেৰণ কৰে। তদন্তকাৰী সংস্থাটোৱে দাবী কৰিছিল যে অৰবিন্দ কেজৰিৱালে জেৰাৰ সময়ত আপৰ প্ৰাক্তন মিডিয়া আৰু ৰণনীতিকাৰ বিজয় নায়াৰৰ সৈতে যোগাযোগ ৰখা নাছিল৷ দিল্লীৰ মন্ত্ৰী আতিশী আৰু সৌৰভ ভৰদ্বাজৰ যোগাযোগত আছিল। নায়াৰৰ সৈতে কেজৰিৱালৰ বাৰ্তালাপ সীমিত সময়ৰ আছিল। ইডিয়ে বিজয় নায়াৰৰ বক্তব্যৰ কথাও উল্লেখ কৰি আদালতত কয় যে নায়াৰে এজন কেবিনেট মন্ত্ৰীক আৱণ্টন কৰা এটা বাংলোত বাস কৰিছিল আৰু কেজৰিৱালৰ কাৰ্যালয়ৰ পৰা কাম কৰিছিল। ইডিয়ে অৰবিন্দ কেজৰিৱালে জেৰাৰ সময়ত দিয়া মন্তব্যৰ কথা আদালতত উল্লেখ কৰাত ৰাজনীতিত ধুমুহাৰ সৃষ্টি হয়৷ দুই মন্ত্ৰীৰ নাম ইডি-এ লোৱাত পুনৰ দুই মন্ত্ৰী বিপদত পৰাৰ আশংকা কৰা হৈছে৷ এই দুই মন্ত্ৰীক গ্ৰেপ্তাৰ কৰাৰ আশংকা বৃদ্ধি পাইছে৷ ইয়াৰ পাছতে বিজেপিয়ে আপক আক্ৰমণৰ লক্ষ্য কৰি লৈছে৷ বিজেপিয়ে কেজৰিৱালক সুৰা নীতি কেলেংকাৰীৰ 'কিংপিন' বুলি অভিহিত কৰিছে। বিজেপিৰ মুখপাত্ৰ সুধাংশু ত্ৰিবেদীয়ে কয় যে বাতৰি আহিছে যে অৰবিন্দ কেজৰিৱালে কৈছে যে মুখ্য অভিযুক্ত বিজয় নায়াৰে আতিশী আৰু সৌৰভ ভৰদ্বাজৰ যোগাযোগত আছিল। কেজৰিৱালে পদত্যাগ কৰে নে নতুন ৰাজনীতিৰ দিশে আগবাঢ়ে সেয়া সময়ে ক'ব৷ ইডিৰ মতে, কেজৰিৱালে প্ৰথমে এন.ডি গুপ্তাক দলৰ জ্ঞান থকা এজন নেতা হিচাপে চিনাক্ত কৰিছিল। কিন্তু তথাকথিত কেলেংকাৰীত তেওঁৰ ভূমিকাক লৈ বিবৃতি দিয়াত এন.ডি গুপ্তাই পিছুৱাই আহে। বিজেপিয়ে দুৰ্নীতি বিৰোধী আন্না হাজাৰেৰ স্থান ল'ব খোজা বুলি কেজৰিৱালক উপহাস কৰে৷ আন্না হাজাৰে কেজৰিৱালৰ গুৰু আছিল। এতিয়া তেওঁ গুৰু সলনি কৰিছে৷ এতিয়া তেওঁলোকৰ গুৰু হৈছে লালু প্ৰসাদ যাদৱ। লালু প্ৰসাদেও মুখ্যমন্ত্ৰী পদৰ পৰা পদত্যাগ কৰিব লগা হৈছিল৷ দুৰ্নীতি আৰু কেলেংকাৰীত দোষী সাব্যস্ত হোৱাৰ পিছত লালু প্ৰসাদ যাদৱে বিহাৰৰ মুখ্যমন্ত্ৰী পদৰ পৰা পদত্যাগ কৰিবলৈ বাধ্য হৈছিল। লালু যাদৱে অন্ততঃ কাৰাগাৰলৈ যোৱাৰ সময়ত পদত্যাগ কৰিছিল। কিন্তু তেওঁ এতিয়ালৈকে পদত্যাগ কৰা নাই। ৰাউজ এভিনিউ আদালতক ইডিয়ে কৈছে কেজৰিৱালে বিজয় নায়াৰে সুৰা ব্যৱসায়ৰ সৈতে জড়িত সহ-অভিযুক্ত ব্যক্তিসকলৰ সৈতে ১০ খনতকৈ অধিক বৈঠক কৰিছিল, সেই কথা জেৰাত কোৱা নাই। দিল্লীৰ মুখ্যমন্ত্ৰীয়ে তদন্ত সম্পৰ্কীয় প্ৰশ্নবোৰ এৰি চলিছে। অৰবিন্দ কেজৰিৱালক ২১ মাৰ্চত গ্ৰেপ্তাৰ কৰা হৈছিল। অৰবিন্দ কেজৰিৱালক ২১ মাৰ্চত চিএম হাউচৰ পৰা ইডিয়ে গ্ৰেপ্তাৰ কৰিছিল। ২২ মাৰ্চত ৰাউজ এভিনিউ আদালতত হাজিৰ কৰোৱা হৈছিল। আদালতে কেজৰিৱালক ২৮ মাৰ্চলৈকে ৭ দিনৰ বাবে ৰিমাণ্ডত দিছিল। ২৮ মাৰ্চৰ শুনানিত, আদালতে ৰিমাণ্ড ১ এপ্ৰিললৈ বৃদ্ধি কৰে। আজি ১৫ এপ্ৰিললৈকে ন্যায়িক জিম্মা তিহাল জেললৈ প্ৰেৰণ কৰে কেজৰিৱালক৷ উল্লেখ্য যে জেলত সময় কটাবৰ বাবে কেজৰিৱালে গীতা আৰু ৰামায়ণ বিচাৰিছে বুলি বাতৰি প্ৰকাশ পাইছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# মোদীয়েই হ'ব প্ৰধানমন্ত্ৰী

**নতুন দিল্লী, ১ এপ্ৰিলঃ** ৰাহুল গান্ধীৰ গণতন্ত্ৰৰ বিষয়ে কথা কোৱাৰ অধিকাৰ নাই। এই দাবী কৰিছে কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে। দেওবাৰে দিল্লীৰ ৰামলীলা ময়দানত অনুষ্ঠিত হোৱা মহাৰেলীত বিৰোধী ইণ্ডিয়া মিত্ৰজোঁটে 'লোকতন্ত্ৰ বচাও' শ্ল'গান দিয়া সন্দৰ্ভত মন্তব্য কৰি এইদৰে কয় কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীয়ে। তেওঁ কয় যে, যিটো দলৰ প্ৰাক্তন প্ৰধানমন্ত্ৰী ইন্দিৰা গান্ধীয়ে জৰুৰীকালীন অৱস্থাত লাখ লাখ জনতাক কাৰাগাৰলৈ নিক্ষেপ কৰিছিল, ৰাজনৈতিক দলৰ ওপৰত নিষেধাজ্ঞা আৰোপ কৰিছিল সেই দলটোৱে গণতন্ত্ৰ ৰক্ষাৰ কথা ক'লে দেশৰ মানুহৰ হাঁহি উঠে। ৰাহুল গান্ধীৰ কটাক্ষ কৰি শ্বাহে কয়, 'আৰে ৰাহুল বাবা, আপোনাৰ আইতাই জৰুৰীকালীন অৱস্থাত লাখ লাখ জনতাক কাৰাগাৰলৈ নিক্ষেপ কৰিছিল। ৰাজনৈতিক দলৰ ওপৰত নিষেধাজ্ঞা আৰোপ কৰিছিল। আপোনালোকৰ গণতন্ত্ৰৰ বিষয়ে কথা কোৱাৰ অধিকাৰ নাই।' 'ইণ্ডিয়া' মিত্ৰতাক সমালোচনা কৰি তেওঁ কয় যে কাক ভোট দিব সেয়া দেশবাসীয়ে ইতিমধ্যে সিদ্ধান্ত লৈয়েই থৈছে। 'তেওঁলোকে কান্দি কান্দি কৈছে যে তেওঁলোকৰ নেতাসকল জেললৈ গৈছে। আৰে, ১২ লাখ কোটি টকাৰ কেলেংকাৰী কৰিলে জেললৈ নাযায় স্বৰ্গলৈ যাব নেকি?' শ্বাহে আৰু কয় যে বিৰোধী দলসমূহে যিমানেই ঐক্যবদ্ধ নহওক কিয় মোদী আকৌ তৃতীয়বাৰৰ বাবে প্ৰধানমন্ত্ৰী হ'বই। 'মোদী তৃতীয়বাৰলৈ প্ৰধানমন্ত্ৰী হিচাপে নিৰ্বাচিত হ'বই। এইবাৰ ভাৰত বিশ্বৰ তৃতীয় অৰ্থব্যৱস্থা হিচাপে চিহ্নিত হ'ব। আমি ডেৰশ বছৰীয়া ব্ৰিটিছৰ আইন সলনি কৰিছো। এশ বছৰ পুৰণি সংসদ ভৱন সলনি কৰিলো। গতিকে মোদী শাসনত আহিলে ভাৰত বিকাশৰ পথত আৰু আগুৱাই যাব।'- এনডিএই ৪০০ আসন পাব বুলি দাবী কৰি শ্বাহে কয়। ৰাজস্থানৰ যোধপুৰত সোমবাৰে বিজেপিৰ এক নিৰ্বাচনী সভাত ভাষণ প্ৰদান কৰি শ্বাহে কংগ্ৰেছ দলক ভাৰতৰ আভ্যন্তৰীণ সুৰক্ষাৰ বাবে ভাবুকিস্বৰূপ বুলিও অভিযোগ কৰে। তেওঁ ভাষণত কয় যে কংগ্ৰেছ দলে ভাৰতক কেতিয়াও বিদেশী শক্তিৰ পৰা সুৰক্ষা দিব নোৱাৰে, এয়া কেৱল মোদীৰ বাবেহে সম্ভৱ।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# সকাহ পালে কংগ্ৰেছে

ন্যায়ালয়ক জনাই যে আগন্তুক লোকসভা নিৰ্বাচনৰ বাবে জুলাইলৈকে প্ৰায় ৩,৫০০ কোটি টকাৰ আয়কৰক লৈ ভাৰতীয় জাতীয় কংগ্ৰেছৰ বিৰুদ্ধে কোনো ধৰণৰ বলপূৰ্বক ব্যৱস্থা লোৱাৰ পৰা বিৰত থাকিব। আয়কৰ বিভাগ তথা কেন্দ্ৰীয় চৰকাৰৰ হৈ মহাধিবক্তা তুষাৰ মেহতাই ন্যায়াধীশ বি.ভি. নাগাৰাথনা আৰু আগষ্টিন জৰ্জ মাছিহৰ বিচাৰপীঠৰ সন্মুখত এই সন্দৰ্ভত প্ৰতিশ্ৰুতি দিয়ে। মেহতাই আদালতক কয় যে বৰ্তমানৰ জাননী আৰু পূৰ্বে দিয়া জাননীৰ সৈতে পোনপটীয়াকৈ সম্পৰ্কি নাই। তথাপিও আগন্তুক নিৰ্বাচনৰ কথা বিবেচনা কৰি বিভাগটোৱে যিকোনো বলপূৰ্বক পদক্ষেপ স্থগিত ৰাখিছে৷ আদালতক এই আশ্বাস দিয়ে আয়কৰ বিভাগে৷ কংগ্ৰেছ দলে ২০১৪-১৫ৰ পৰা ২০১৬-১৭ত আয়কৰ বিভাগৰ পৰা জাননী লাভ কৰিছিল৷ আয়কে আয়কৰ দেওনা দাবী আছিল মুঠ ১,৭৪৫ কোটি। কংগ্ৰেছৰ বৰ্ষ ১৯৯৪-৯৫ আৰু ২০১৭-১৮ ৰ পৰা ২০২০-২১ লৈ জাননী লাভ কৰিছিল৷ যাৰ বাবে আয়কৰ দেওনা ৩৫৬৭ কোটি আদায় দিয়াৰ জাননী দিছিল আয়কৰ বিভাগে৷ আজি আদালতে ১৯ এপ্ৰিলৰ পৰা ১ জুনলৈ সাত পৰ্যায়ৰ নিৰ্বাচনৰ পাছত বিষয়টোক লৈ পৰৱৰ্তী শুনানি ২৪ জুলাইত অনুষ্ঠিত হ'ব বুলি কয়। নিৰ্বাচনৰ ফলাফল ৪ জুনত ঘোষণা কৰা হ'ব। কংগ্ৰেছে আয়কৰ বিভাগে ১,৮২৩.০৮ কোটি টকা পৰিশোধ কৰিবলৈ নতুন জাননী দিয়া বুলি প্ৰকাশ কৰি আহিছে। কংগ্ৰেছৰ নেতাসকলে কয় যে সংসদীয় নিৰ্বাচনৰ কেইসপ্তাহমান পূৰ্বে কংগ্ৰেছক আৰ্থিকভাৱে পংগু কৰাৰ প্ৰয়াস। দলটোৱে শাসকীয় বিজেপিক কৰ সন্ত্ৰাসবাদত লিপ্ত হোৱাৰ অভিযোগ আনিছিল। যোৱা সপ্তাহত দিল্লীত এক সংবাদমেলত দলৰ কোষাধ্যক্ষ অজয় মাকেনে দৃঢ়তাৰে কংগ্ৰেছৰ প্ৰচাৰ অব্যাহত থাকিব বুলি দাবী কৰি কৈছিল যে আমি আয়কৰৰ জাননীক লৈ ভয় নকৰোঁ। আমি অধিক আক্ৰমণাত্মক হ'ম আৰু নিৰ্বাচনত যুঁজ দিম৷ মাকেনে অভিযোগ কৰি কৈছিল যে কংগ্ৰেছ আৰু অন্যান্য বিৰোধী দলবোৰক আয়কৰ বিভাগে লক্ষ্য কৰি লৈছে৷ আয়কৰ বিভাগক বিজেপিৰ সংগঠন বুলি উল্লেখ কৰিছিল মাকনে৷ উল্লেখ্য যে, নৰেন্দ্ৰ মোদী চৰকাৰে কংগ্ৰেছৰ বেংক একাউণ্ট ফ্ৰীজ কৰাৰ অভিযোগ উত্থাপন কৰি আহিছে। ৰাহুল গান্ধীয়ে ২১ মাৰ্চত নতুন দিল্লীত সাংবাদিকক কৈছিল যে কংগ্ৰেছে সঠিকভাৱে প্ৰচাৰ চলাব পৰা নাই৷ কিয়নো দলৰ একাউণ্ট আয়কৰ বিভাগে বন্ধ কৰিছে। সেয়ে প্ৰচাৰৰ বাবে ধন নাই আৰু প্ৰাৰ্থীসকলক সমৰ্থন কৰিব পৰা নাই বুলি আক্ষেপ প্ৰকাশ কৰিছিল।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# অৰুণাচল প্ৰদেশক আকৌ

লগতে মনস্তাত্বিকভাৱেও ভাৰতক আক্ৰমণৰ অপচেষ্টা অব্যাহত ৰাখিছে। বিশেষকৈ উত্তৰ-পূবৰ ৰাজ্য অৰুণাচল প্ৰদেশক লৈ চীনে বাৰম্বাৰ ভাৰতৰ সৈতে অঘোষিত সংঘাতৰ সূত্ৰপাত কৰি আহিছে। দিনদিয়েক পূৰ্বে অৰুণাচলক নিজৰ বুলি দাবী কৰাৰ পিছত এইবাৰ চুবুৰীয়া ৰাষ্ট্ৰখনে ভাৰতৰ অন্যতম অংগৰাজ্যখনৰ ৩০খনকৈ স্থানৰ নাম নিজাববীয়াকৈ কৰিছে। প্ৰকাশিত বাতৰি অনুযায়ী চীনৰ নাগৰিক বিষয়ক মন্ত্ৰণালয়ে অৰুণাচল প্ৰদেশক নিজৰ বুলি দাবী কৰাৰ লগতে ৩০খন ঠাইৰ নামৰ পৰিৱৰ্তন সম্পৰ্কীয় চতুৰ্থখন তালিকা প্ৰকাশ কৰিছে। এই অনুযায়ী চীনত অৰুণাচলৰ উক্ত ঠাইকেইখনৰ বিষয়ে যিকোনো মাধ্যমতে ক'বলগীয়া বা লিখিবলগীয়া হ'লে নতুন নাম উল্লেখ কৰাতো বাধ্যতামূলক হৈ পৰিব। চীনৰ চৰকাৰী সংবাদ পত্ৰ গ্লোবেল টাইমছত এই বাতৰি প্ৰকাশ পোৱাৰ পিছতে মোদী চৰকাৰক উভতি ধৰিছে কংগ্ৰেছৰ অধ্যক্ষ মল্লিকাৰ্জুন খাৰ্গেই। খাৰ্গেই কয় যে মোদী চৰকাৰে কচ্ছটিবুক লৈ দেশবাসীৰ মাজত বিভ্ৰান্তি ঠিকেই প্ৰচাৰ কৰিছে যদিও চীনক আজিলৈকে এনে অপকৰ্মৰ পৰা বাধা দিব নোৱাৰিলে। এক টুইটত খাৰ্গেই লিখিছে, 'চীনৰ সৈতে ১৯ বাৰকৈ আলোচনাত বহাৰ পিছতো প্ৰধানমন্ত্ৰী মোদীয়ে ভাৰতীয় অঞ্চলৰ নাম পৰিৱৰ্তন কৰাৰ দৰে কাম বন্ধ কৰিবলৈ কূটনৈতিকভাৱে একো কৰিব নোৱাৰিলে। ডোকলাম, গালৱানৰ ঘটনা আৰু লাদাখত ২০০০ বৰ্গ কিলোমিটাৰ চীনে নিয়ন্ত্ৰণ কৰা তথা অৰুণাচল, ছিক্কিমত চীনৰ আগ্ৰাসী মনোভাৱকো আজিলৈকে বাধা দিয়াত ব্যৰ্থ হৈছে মোদী চৰকাৰ। হয়তো ৫৬ ইঞ্চিৰ বুকু আৰু ৰঙা চকুৰ গৰাকীয়ে এতিয়া চীনা চছমা পিন্ধি লৈছে।' উল্লেখ্য যে চীনৰ এই সিদ্ধান্তক লৈ প্ৰতিক্ৰিয়া ব্যক্ত কৰি ভাৰতীয় বিদেশ মন্ত্ৰণালয়ে এনে কাৰ্যক গৰিহণা দিয়াৰ লগতে নাম সলাই ভাৰতৰ একো ক্ষতি কৰিব নোৱাৰে বুলিও দাবী কৰিছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ডমিস্ক'ত ইজৰাইলৰ

বুলি দাবী কৰিছে। সংবাদ সংস্থাসমূহে প্ৰকাশ কৰা বাতৰি অনুযায়ী ডমিস্কস্থিত ইৰাণৰ বাণিজ্যিক দূতাবাসত এই আক্ৰমণ সংঘটিত কৰিছে ইজৰাইলে। এই ঘটনাত ইৰাণৰ দূতাবাসটোত কৰ্মৰত বহু লোকৰ মৃত্যু হোৱাৰ আশংকা কৰা হৈছে। আক্ৰমণৰ ফলত এটা অট্টালিকা সম্পূৰ্ণৰূপে বিধ্বস্ত হোৱা বুলিও বাতৰিত প্ৰকাশ পাইছে। ইৰাণৰ ইংৰাজী ভাষাত সম্প্ৰচাৰিত টিভি চেনেল প্ৰেছ টিভিৰ বাতৰিতো কোৱা হৈছে যে এই ঘটনাত ইৰাণৰ ৰিভলিউশ্যনেৰি গাৰ্ডৰ মহম্মদ ৰজা জহেদি আৰু তেওঁৰ সহযোগী এগৰাকীৰ মৃত্যু ঘটিছে। ইৰাণী নিউজ চেনেলটোৰ মতে ইজৰাইলে বিমানেৰে চলোৱা এই আক্ৰমণত অতি কমেও ৫ জন লোক নিহত হৈছে। আনহাতে ছিৰিয়াৰ সেনাবাহিনীৰ মতে ইজৰাইলী বিমানে স্থানীয় সময় অনুসৰি সন্ধিয়া প্ৰায় ৫ বজাত এই আক্ৰমণ সংঘটিত কৰিছে। অৱশ্যে এই সন্দৰ্ভত এতিয়ালৈ ইজৰাইলৰ তৰফৰ পৰা কোনো প্ৰতিক্ৰিয়া প্ৰকাশ কৰা হোৱা নাই। উল্লেখ্য যে হামাছ বিদ্ৰোহীক সমৰ্থন কৰা বুলি দাবী কৰি ইজৰাইলে দীৰ্ঘদিন ধৰি ইৰাণৰ বিৰুদ্ধে বাকযুদ্ধত লিপ্ত হৈ আহিছিল। হামাছৰ আক্ৰমণৰ পিছতে বৃদ্ধি পাইছিল দুয়ো দেশৰ সংঘাত।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# গৌৰৱ গগৈক ভোট দিবলৈ

মিডিয়া বিভাগৰ উপাধ্যক্ষ বেদব্ৰত বৰাৰ উপস্থিতিত পুস্তিকাখন প্ৰকাশ কৰা হয়। গৌৰৱ গগৈৰ হকে ভোট কিয় দিব লাগে সেই কথা পুস্তিকাখনত প্ৰকাশ কৰিছে দেৱব্ৰত শইকীয়াই। নিৰ্বাচনৰ প্ৰচাৰৰ সময়ত পুস্তিকাখন ভোটাৰৰ হাতত তুলি দি গৌৰৱ গগৈয়ে ভোট ভিক্ষা কৰিব। পুস্তিকাখনত কেইবাটাও বিষয় সন্নিৱিষ্ট কৰা হৈছে। পুস্তিকাখনত যোৰহাটক অসমৰ বৌদ্ধিক ৰাজধানী বুলি উল্লেখ কৰা হৈছে। দেশ আৰু সংবিধানৰ চৰম সংকটকালত অনুষ্ঠিত এইবাৰৰ নিৰ্বাচন যোৰহাট লোকসভা সমষ্টিৰ বা জাতীয় ৰাজনীতিৰ বাবেই নহয়। দেশৰ সংবিধান, দেশৰ ঐক্য, সংহতি, ক্ষুদ্ৰ জাতিসত্তাসমূহৰ আত্মসন্মান, আত্ম মৰ্যাদা আৰু স্বকীয়তা আৰু অসমীয়া জাতি, অসমৰ ভৱিষ্যৎ সুৰক্ষিত কৰাৰ ক্ষেত্ৰত এই নিৰ্বাচন বুলি উল্লেখ কৰিছে দেৱব্ৰত শইকীয়াই। পুস্তিকাখন যোগে শইকীয়াই কয় “বিজেপি দলে ধৰ্মৰ নামত উন্মাদনা বিয়পাই বৃহৎ বাণিজ্যিক আৰু ব্যৱসায়িক গোষ্ঠীৰ স্বাৰ্থত কাম কৰি আহিছে। জীৱনদায়ী ঔষধৰ পৰা আৰম্ভ কৰি নিত্য প্ৰয়োজনীয় প্ৰতিবিধ সামগ্ৰীৰ অবাধ মূল্য বৃদ্ধিৰ সুযোগ প্ৰদান কৰি সৰ্বসাধাৰণ কৃষক-শ্ৰমিক, মধ্যবিত্ত, সাধাৰণ চাকৰিজীৱিৰ জীৱন ধাৰণৰ ক্ষেত্ৰত ঘোৰ অমানিশা নমাই আনিছে।” সংবাদমাধ্যমৰ সন্মুখত বিৰোধী দলপতিগৰাকীয়ে ২০১৪ চনত নৰেন্দ্ৰ মোদী ক্ষমতালৈ আহি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ বন্ধু গৌতম আদানী, আম্বানীৰ দৰে দেশৰ মুষ্টিমেয় কেইটামান বৃহৎ ব্যৱসায়িক গোষ্ঠীক ১৪.৫৬ লাখ কোটি টকাৰ ঋণ ৰেহাই দিছে বুলি তথ্য প্ৰকাশ কৰে। শইকীয়াই এই অভিযোগ কৰি কয় যে অন্নদাতা কৃষক, আই-মাতৃসকলে ব্যক্তিগত খণ্ডৰ বেঙ্কৰ ঋণৰ গ্ৰাসত পৰি আত্মহত্যাৰ পথ বাচি লৈছে। আৰক্ষী-সেনাৰ লাঠিৰ কোবত কৃষকসকলে ৰাজপথতে ৰক্তাক্ত হৈছে। বিদেশৰ বেংকৰ পৰা কলাধন ঘূৰাই আনি প্ৰত্যেক ভাৰতীয় নাগৰিকৰ একাউণ্টত ১৫ লাখ টকাকৈ জমা কৰাৰ প্ৰতিশ্ৰুতিৰে ক্ষমতালৈ অহা বিজেপিৰ শাসনত দুৰ্নীতিৰ কৰাল ৰূপত জনজীৱন বিধ্বস্ত হৈছে। বিভিন্ন কোম্পানীক দুৰ্নীতি নিবাৰক তথা বিভিন্ন চৰকাৰী সংস্থাৰ জৰিয়তে ব্লেক মেইলিং কৰা হৈছে। ইলেক্টৰেল বণ্ড ক্ৰয় কৰিবলৈ বাধ্য কৰি বিজেপিৰ দলীয় তহবিলত দান-দক্ষিণাৰ নামত উৎকোচ দিবলৈ বাধ্য কৰাইছে। ২০১৪ চনৰ নিৰ্বাচনী প্ৰচাৰলৈ আহি প্ৰধানমন্ত্ৰীয়ে সদম্ভে ঘোষণা কৰিছিল যে ২০১৪ চনৰ ১৬ মে'ৰ পাছত ভাৰতৰ পৰা বিদেশী নাগৰিকসকলে টালি-টোপোলা বান্ধি পলায়ন কৰিব লাগিব। বিজেপিয়ে উচ্চতম ন্যায়ালয়ৰ তত্বাৱধানত চূড়ান্ত হোৱা এন আৰ চি উন্নীত কৰাৰ পৰিৱৰ্তে বিদেশী ন্যায়াধিকৰণত বিচাৰ প্ৰক্ৰিয়া আৰম্ভ কৰিবলৈ সাহস গোটাব নোৱাৰিলে। বিজেপি চৰকাৰে অসমীয়া জাতি, অসমবাসীক চৰম প্ৰত্যাহ্বান জনাই নাগৰিকত্ব সংশোধনী আইন বলৱৎ কৰি অসমৰ ভূমি চিৰদিনলৈ বিদেশীৰ বাবে মুকলি কৰি দিবলৈ পদক্ষেপ গ্ৰহণ কৰিছে। তাই-আহোম, কোচ-ৰাজবংশী, চাহ জনগোষ্ঠী, মৰাণ-মটক, চুতীয়াসহ ছয় জনগোষ্ঠীৰ জনজাতিকৰণৰ প্ৰতিশ্ৰুতিৰে ক্ষমতালৈ অহা বিজেপিয়ে সুদীৰ্ঘ ১০ বছৰেও বিষয়টোৰ সমাধান নকৰিলে। চাহ শ্ৰমিকৰ ন্যূনতম মজুৰি আদায়ৰ নামত অবাধ লুণ্ঠন চলিছে বিজেপিৰ শাসনকালত। আহোম জনগোষ্ঠীৰ লগতে অসমৰ খিলঞ্জীয়া জাতি-জনগোষ্ঠীসমূহৰ ৰাজনৈতিক ভূমিকা সংকুচিত কৰিছে বিজেপি চৰকাৰে। একেদৰে চাহ জনগোষ্ঠীকো ক্ৰমান্বয়ে ৰাজ্যিক ৰাজনীতিত গুৰুত্বহীন কৰাটো বিজেপিৰ শাসনকালত বেদনাদায়ক ঘটনা। ধৰ্মীয় সংখ্যালঘুসকলক হকে-বিহকে আক্ৰমণৰ লক্ষ্য কৰি বিজেপিয়ে ভাষাভিত্তিক অসমীয়া জাতিক বহুধাবিভক্ত কৰিবলৈ অহৰ্নিশে চেষ্টা চলাই গৈছে। কৃষিভূমি বাণিজ্যিক শ্ৰেণীলৈ পৰিৱৰ্তন ঘটোৱাৰ অভিযোগ আনি শইকীয়াই কয় যে অনা-অসমীয়া লোকৰ হাতলৈ অথবা বৃহৎ পুঁজিৰ মালিকসকলৰ হাতত অসমৰ ভূমি কুক্ষিগত কৰাৰ অপকৌশল ৰচনা কৰা বিজেপিয়ে ৰাজহুৱা খণ্ডৰ উদ্যোগ ধ্বংস কৰিছে। লগতে বিজেপিৰ শাসনকালত আইন-শৃংখলা পৰিস্থিতিৰ দ্ৰুত অৱনতি ঘটিছে আৰু মহিলাৰ নিৰাপত্তা নোহোৱা হৈ পৰিছে বুলি গুৰুতৰ অভিযোগ আনে। এনে অভিযোগসমূহ উত্থাপন কৰি যোৰহটীয়া ৰাইজ আহোম ৰাজবংশৰ ছশবছৰীয়া গৌৰৱোজ্জ্বল ইতিহাসেৰে সমৃদ্ধ তথা  স্বাধীনতা আন্দোলনতো আপোচহীন আছিল  বুলি কৈ গৌৰৱ গগৈক ভোট দিয়াৰ আহ্বান জনায়।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# মন গ’লেই জাৰ্মানীত

কৰি দিয়া নিয়ম মানি জাৰ্মানীত মুক্ত মনে ভাং বা গাঞ্জা সেৱন কৰিব পৰা যাব। নতুন নিয়ম অনুযায়ী ১৮ বছৰ বয়সৰ পুৰুষ-মহিলা নিৰ্বিশেষে যিকোনো লোকে ২৫ গ্ৰামতকৈয়ো অধিক পৰিমাণৰ ভাং বা গাঞ্জা নিজৰ লগত ৰাখিব পাৰিব। প্ৰতিটো পৰিয়ালক ঘৰত ভাং বা গাঞ্জাৰ তিনিজোপা গছ ৰুবলৈকো অনুমতি প্ৰদান কৰিছে জাৰ্মান চৰকাৰে। ইয়াৰ লগতে ১ জুলাইৰ পৰা ভাং বা গাঞ্জাৰ উৎপাদনৰ সৈতে জড়িত লোকসকলে সৰ্বাধিক ৫০০ লোকে মিলি ভাং বা গাঞ্জাৰ ক্লাবো গঠন কৰিব পাৰিব। লাভবিহীনভাৱে গাঞ্জাৰ উৎপাদন বা বিতৰণৰ উদ্দেশ্যেহে গঠন কৰিব পাৰিব এনে ক্লাব। ক্লাবৰ সদস্যসকলৰ ন্যুনতম বয়স ১৮ বছৰ হ’ব লাগিব। গাঞ্জা সেৱন বৈধ ঘোষণা কৰিলেও অৱশ্যে শিক্ষানুষ্ঠান, ক্ৰীড়া ক্ষেত্ৰ আৰু খোজকাঢ়ি মানুহ অহা-যোৱা কৰা ৰাস্তাৰ কাষত পুৱা ৭ বজাৰ পৰা নিশা ৮ বজা পৰ্যন্ত গাঞ্জা সেৱন নিষিদ্ধ কৰা হৈছে। উল্লেখ্য যে যোৱা ২৩ ফেব্ৰুৱাৰীত বিৰোধী দল আৰু একাধিক সংগঠনৰ বিৰোধিতাকো নেওচি জাৰ্মান সংসদত গাঞ্জাৰ ওপৰত থকা নিষেধাজ্ঞা প্ৰত্যাহাৰ বিষয়ক বিধেয়ক গৃহীত হৈছিল। ইয়াৰ পিছতে জাৰ্মান চৰকাৰে ১ এপ্ৰিলৰ পৰা কাৰ্যকৰী হোৱাকৈ গাঞ্জাৰ ওপৰত থকা নিষেধাজ্ঞা প্ৰত্যাহাৰ কৰে। ফলত দেশখনত ৰাজহুৱাকৈ ভাং সেৱন এতিয়া সহজ হৈ পৰিব। ভাঙৰ অবৈধ ব্যৱসায় বন্ধ কৰিবলৈ জাৰ্মানীৰ চৰকাৰে এনে সিদ্ধান্ত লোৱা বুলি দাবী কৰিছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# সুদৰ ব্যৱসায়! জালত

**ই-সংবাদ, নলবাৰী, ১ এপ্ৰিলঃ** নলবাৰী জিলাৰ পহলংপাৰাত সুদৰ ব্যৱসায় চলোৱাৰ অভিযোগত পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ এজন চাকৰিয়ালক গ্ৰেপ্তাৰ কৰাত চাঞ্চল্যৰ সৃষ্টি হৈছে৷ এটা পৰিয়ালক সুদত টকা দি পৰিয়ালটোৰ সম্পত্তি দখল কৰিব খোজাৰ অভিযোগৰ ভিত্তিত আনোৱাৰ হুছেইনক বেলশৰ আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিছে৷ আনোৱাৰ হুছেইনক ইতিমধ্যে আৰক্ষীয়ে জেল-হাজোতলৈ প্ৰেৰণ কৰিছে৷ জানিব পৰা মতে, খাটা ৰুপীয়াবাথান গাঁৱৰ এটা পৰিয়ালক সুদত টকা দিছিল আনোৱাৰে৷ টকা উভতাই দিব নোৱাৰাত ২৮ মাৰ্চত পৰিয়ালটোৰ সম্পত্তি দখলৰ প্ৰয়াস কৰে৷ ভুক্তভোগী কৰবী বৰ্মন তালুকদাৰ, ডলি তালুকদাৰ আৰু জীৱনেশ্বৰ তালুকদাৰে বেলশৰ আৰক্ষী থানাত অভিযোগ দাখিল কৰে। এজাহাৰৰ ভিত্তিত বেলশৰ আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিছে চাকৰিয়াল আনোৱাৰক৷ সুদখোৰ আনোৱাৰ হুছেইনক গ্ৰেপ্তাৰ কৰি নলবাৰী ন্যায়িক দণ্ডাধীশৰ আদালতত হাজিৰ কৰোৱাত আদালতে জেল হাজোতলৈ প্ৰেৰণ কৰে। মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই সুদখোৰসকলক ধৰিবলৈ জেহাদ ঘোষণা কৰিছিল৷ কিন্তু এইগৰাকী সুদখোৰক ঢুকি নাপায় 'মিছন সুদখোৰ' অভিযানে৷ আৰক্ষীয়ে দেখিও নেদেখাৰ ভাও ধৰা এইগৰাকী চৰকাৰী চাকৰিয়ালে বহু পৰিয়ালক দেউলীয়া কৰাৰ অভিযোগ উঠিছে৷ ৰাজ্যত সুদখোৰৰ বিচাৰি আৰক্ষীৰ অভিযান চলিছিল যদিও এইগৰাকী আনোৱাৰ হুছেইনৰ ওপৰত বহু পলমকৈ আৰক্ষীৰ নজৰ পৰিল৷ দুৰ্ভগীয়া পৰিয়ালে অভিযোগ দিয়াৰ পাছতহে গ্ৰেপ্তাৰ কৰা হয় সুদখোৰ আনোৱাৰ হুছেইনক৷ আনোৱাৰ হুছেইনৰ বিৰুদ্ধে টকা সুদত দি সম্পত্তিৰ পাহাৰ গঢ়াৰ অভিযোগ উত্থাপন হৈ আহিছে৷ অভিযোগ অনুযায়ী বহু লোকক টকা সুদত দি উভতাই নিব নোৱাৰিলে সম্পত্তি দখল কৰি লৈ আহিছিল লোকজনে৷

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# বৰপেটাত ৰে'ল গেটক লৈ প্ৰতিবাদ

**ই-সংবাদ, বৰপেটাৰোড, ১ এপ্ৰিলঃ** বৰপেটাৰোডত হঠাতে ৰে'লৱে গেট বন্ধ কৰি ৰাইজক হাৰাশাস্তি কৰাৰ অভিযোগ উত্থাপন হৈছে। ৰেল বিভাগে বৰপেটাৰোডৰ ২ নং ৰেলৱে ক্ৰছিং গেট বন্ধ কৰি দিয়াত ৰাইজে প্ৰতিবাদ সাব্যস্ত কৰি বৰপেটাৰোড ৰে'লৱে গেটত উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি কৰে। প্ৰায় তিনি শতাধিক লোকে উত্তৰ-পূব ৰে'লৱেৰ বিৰুদ্ধে প্ৰতিবাদ সাব্যস্ত কৰি ৰে'লৱে ক্ৰছিং গেট বন্ধ নকৰিবলৈ সকীয়াই দিয়ে৷ বৰপেটাৰোডৰ ২নং ৰে'লৱৈ ক্ৰছিং গেট ৰে'ল বিভাগে ষড়যন্ত্ৰমূলকভাৱে বন্ধ কৰি দিয়াৰ অভিযোগ আনিছে স্থানীয় ৰাইজে। ফলত শতাধিক পুৰুষ-মহিলাই বৰপেটাৰোড ৰে'ল ক্ৰছিং বন্ধ কৰি ৰে'ল পথৰ দাঁতিত প্ৰতিবাদ সাব্যস্ত কৰে। প্ৰশাসনে ৰে'লৱে ক্ৰছিং গেট বন্ধ নকৰো বুলি আশ্বাস দিয়াত পৰিস্থিতি শাম কাটে৷ বিভাগে আশ্বাস দিয়াত ৰাইজে সাময়িকভাৱে প্ৰতিবাদ স্থগিত ৰখাৰ ঘোষণা কৰে৷ ৰে'ল বিভাগে যদি পুনৰ জনবিৰোধী কাৰ্যত লিপ্ত হয় তেনেহলে পুনৰ গণতান্ত্ৰিক আন্দোলনৰ হুংকাৰ দিছে স্থানীয় ৰাইজে৷



# ভোট বিচাৰি মাজুলীত মুখ্যমন্ত্ৰীৰ চাইকেল ৰেলী

**ই-সংবাদ, মাজুলী, ১ এপ্ৰিলঃ** মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই সোমবাৰে উজনি অসমৰ নদীদ্বীপ মাজুলীত চাইকেল ৰেলী কৰি প্ৰচাৰ অভিযান চলাই৷ শৰ্মাই বিজয় সংকল্প চাইকেল ৰেলীৰে প্ৰচাৰ অভিযান আৰম্ভ কৰে৷ মুখ্যমন্ত্ৰীয়ে বিজেপিৰ পতাকা, আৰু চিম্বল যুক্ত টি-চাৰ্ট পিন্ধি ৰেলীত অংশগ্ৰহণ কৰে৷ মাজুলীৰ বিভিন্ন প্ৰান্তত চাইকেল ৰখাই মহিলাই গামোচা পিন্ধাই মুখ্যমন্ত্ৰীক৷ আনহাতে, ছেল্ফি ল'বলৈ একাংশ লোকে হেতাওপৰা লগোৱা দেখা যায়৷ বিজেপি নেতা-কৰ্মীসকলে মুখ্যমন্ত্ৰীৰ সৈতে উৎসাহী হৈ চাইকেল ৰেলীত অংশগ্ৰহণ কৰা দেখা যায়। বিজেপিৰ নেতা-কৰ্মীৰ বাহিৰেও যুৱক-যুৱতীসকলেও চাইকেল ৰেলীত অংশ গ্ৰহণ কৰে৷ পৰৱৰ্তী ১৫ দিনত শৰ্মাই উজনি অসমত প্ৰায় ৪০টা বিধানসভা সমষ্টিত এনেদৰে প্ৰচাৰ চলাব বুলি জানিব পৰা গৈছে৷ সমৰ্থক, দলীয় নেতা-কৰ্মীক লৈ চাইকেল ৰেলী আৰম্ভ কৰি যোৰহাট সমষ্টিত বিজেপিৰ প্ৰাৰ্থী জয়ী হোৱাৰ দাবী কৰে মুখ্যমন্ত্ৰীয়ে৷ লোকসভা নিৰ্বাচনত বিজেপিয়ে সৰ্বাধিক অসমত আসন লাভ কৰিব বুলিও দাবী কৰে৷ ইফালে, কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে ৬ এপ্ৰিলত নিৰ্বাচনী প্ৰচাৰৰ বাবে অসমত উপস্থিত হোৱাৰ সম্ভাৱনা আছে। শ্বাহে লখিমপুৰ সংসদীয় সমষ্টি আৰু কাজিৰঙা সংসদীয় সমষ্টিৰ লগতে হোজাইত ৰেলী সম্বোধন কৰিব। বিজেপি প্ৰাৰ্থীসকলে নিজ নিজ সমষ্টিত প্ৰচাৰ ব্যাপক কৰি তুলিছে৷ দৈনিক ১০ ৰ পৰা ১২ খন সভা অনুষ্ঠিত কৰি বিজেপিয়ে প্ৰতিটো সমষ্টি দখলৰ প্ৰয়াস কৰা দেখা গৈছে৷

# বিধ্বংসী ধুমুহা-শিলাবৃষ্টিত ৰাজ্যত ৪জনৰ মৃত্যু, ৪০৬টা পৰিয়াল গৃহহীন

## ১৪,২২৭টা পৰিয়াল আংশিকভাৱে ক্ষতিগ্ৰস্ত

**ই-সংবাদ, ১ এপ্ৰিলঃ** মাৰ্চ মাহৰ শেষৰ দিনটোত, ৩১ মাৰ্চত ৰাজ্যত ধুমুহা শিলাবৃষ্টিয়ে ধ্বংসলীলাৰ সৃষ্টি কৰে। ৰাজ্যৰ কেইবাখনো জিলাত প্ৰচণ্ড ধুমুহা-শিলাবৃষ্টিয়ে জনজীৱন ব্যাহত কৰিছে। বহু পৰিয়াল হঠাতে গৃহহাৰা হৈ পৰাৰ লগতে সা-সম্পদ হেৰুৱাব লগা হয়। বহু পৰিয়ালৰ মূৰৰ ওপৰৰ ছালখন উৰুৱাই নিয়াত সংকটাৱস্থাত সময় পাৰ কৰিছে। ইখনৰ পাছত সি গাঁৱৰ মূল্যৱান গছ-গছনি ভাঙি পেলোৱাৰ লগতে বিদ্যুতৰ শ-শ খুঁটা উঘালি পেলাইছে। ভঁৰালৰ ধান তিতি গৈছে। কাপোৰ, বাচন-বৰ্তন পৰ্যন্ত অনিষ্ট হৈছে। কালিলৈ চৌদিশে থিয় হৈ থকা ঘৰসমূহ উৰুৱাই নিয়াত কিছুমান পৰিয়ালৰ ভেটিসমূহ উদং হৈ থকা পৰিলক্ষিত হৈছে। বিধ্বংসী ধুমুহা-শিলাবৃষ্টিত এই পৰ্যন্ত চাৰিগৰাকী লোকে প্ৰাণ হেৰুৱাইছে আৰু দুগৰাকী লোক বৰ্তমানেও নিৰুদ্দেশ হৈ আছে। কাছাৰ জিলাত ধুমুহাত ৬গৰাকী লোক আহত হৈ শিলচৰ চিকিৎসা মহাবিদ্যালয়ত ভৰ্তি হৈ আছে। ৰাজ্যৰ ৪০৬টা পৰিয়ালৰ ঘৰ-দুৱাৰ সম্পূৰ্ণ ৰূপে ধ্বংস হৈ গৃহহাৰা হোৱাৰ লগতে ১৪,২২৭টা পৰিয়ালৰ ঘৰ-দুৱাৰ আংশিকভাৱে ক্ষতিগ্ৰস্ত হয়। ধুমুহা-শিলাবৃষ্টিত সৰ্বমুঠ ৫২,৮৯৯ গৰাকী লোক প্ৰভাৱিত হৈছে। বাক্সা, ধুবুৰী, গোৱালপাৰা, হাইলাকান্দি, হোজাই, কমৰূপ মহানগৰ, কামৰূপ, কৰিমগঞ্জ, কোকৰাঝাৰ, নলবাৰী, চিৰাং, দৰং, নগাঁও, মৰিগাঁও, লখিমপুৰ, শিৱসাগৰ, যোৰহাট, কাৰ্বি আংলং, পশ্চিম কাৰ্বি আংলং, গোলাঘাট, দক্ষিণ শালমৰা, ওদালগুৰি আৰু কাছাৰ জিলাত বিধ্বংসী ধুমুহা-শিলাবৃষ্টিৰ প্ৰভাৱ পৰিছে। ২২ খন জিলাৰ ৬৬টা ৰাজহ চক্ৰৰ ৯১৯ খন গাঁও বেছি ক্ষতিগ্ৰস্ত হৈছে। তিনিটা গোধনৰ মৃত্যু হৈছে। মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই ৩১ মাৰ্চত ৰাজ্যৰ বিভিন্ন প্ৰান্তত ধাৰাসাৰ শিলাবৃষ্টি আৰু ধুমুহাৰ ফলত হোৱা ক্ষতিৰ নিৰন্তৰ নিৰীক্ষণ কৰি আছে বুলি এক বিবৃতি জাৰি কৰিছে। ৰাজ্যিক জৰুৰীকালীন অভিযান কেন্দ্ৰই প্ৰভাৱিত ২২খন জিলাৰ উপায়ুক্তসকলৰ সৈতে সমন্বয় ৰক্ষা কৰি কাম কৰি থকা বুলি উল্লেখ কৰিছে ৰাজ্য চৰকাৰে।

দুৰ্ভাগ্যজনকভাৱে মৃতকৰ সংখ্যা ৪গৰাকী বুলি জানিবলৈ দিছে চৰকাৰে। উল্লেখ্য যে, প্ৰতিকূল বতৰৰ ফলত ৯১৯খন গাঁও প্ৰভাৱিত হৈছে। বাক্সা, ধুবুৰী, গোৱালপাৰা, হাইলাকান্দি, হোজাই, কমৰূপ মহানগৰ, কামৰূপ, কৰিমগঞ্জ, কোকৰাঝাৰ, নলবাৰী, চিৰাং, দৰং, নগাঁও, মৰিগাঁও, লখিমপুৰ, শিৱসাগৰ, যোৰহাট, কাৰ্বি আংলং, পশ্চিম কাৰ্বি আংলং, গোলাঘাট, দক্ষিণ শালমৰা, ওদালগুৰি আৰু কাছাৰ জিলাৰ বহু গাঁও ক্ষতিগ্ৰস্ত হৈছে। ধুমুহাত কাছাৰ জিলাত এজন লোকে প্ৰাণ হেৰুৱাইছে। বজ্ৰ পৰি ওদালগুৰি জিলাৰ মাজবাট ৰাজহ চক্ৰত এজন আৰু কাৰ্বি আংলঙৰ ডনকা ৰাজহ চক্ৰত এজন লোকে প্ৰাণ হেৰুৱাইছে। দক্ষিণ শালমৰাৰ মানকাছাৰত নাও ডুবি এজন লোকে প্ৰাণ হেৰুৱাইছে। লগতে দুগৰাকী লোক নিৰুদ্দেশ হৈ থকাৰ তথ্য প্ৰকাশ কৰিছে চৰকাৰে। দক্ষিণ শালমৰাৰ সুখচৰ আৰক্ষী থানা এলেকাত ব্ৰহ্মপুত্ৰ নৈত প্ৰচণ্ড ধুমুহাত নাও ডুব যায়। ফলত তিনিগৰাকী লোক ব্ৰহ্মপুত্ৰৰ বুকুত নিৰুদ্দেশ হয় যদিও এজন কিশোৰৰ মৃতদেহ উদ্ধাৰ কৰা হৈছে আৰু দুজন লোক বৰ্তমানেও নিৰুদ্দেশ হৈ আছে। এছডিআৰএফ আৰু এনডিআৰএফে উদ্ধাৰ অভিযান অব্যাহত ৰাখিছে। উদ্ধাৰ অভিযানত আৰক্ষী-প্ৰশাসনৰ উচ্চপদস্থ বিষয়া উপস্থিত আছে। উদ্ধাৰ অভিযান ড্ৰোনেৰ নিৰীক্ষণ কৰি থকা হৈছে। ৰাজ্য চৰকাৰে শিবিৰৰ ব্যৱস্থা কৰা নাই যদিও ক্ষতিগ্ৰস্ত পৰিয়ালসমূহক সাহায্য দিয়াৰ ব্যৱস্থা কৰিছে। শিৱসাগৰ, নলবাৰী, গোলাঘাট আৰু কৰিমগঞ্জ জিলাত ১৩টা অংগবাড়ী কেন্দ্ৰ সম্পূৰ্ণ ৰূপে ধ্বংস হৈছে। শিৱসাগৰ, দৰং, নলবাৰী, গোলাঘাট আৰু কৰিমগঞ্জ জিলাত ১৩ খন স্কুল ক্ষতিগ্ৰস্ত হৈছে। কোকৰাঝাৰৰ চাৰিটা প্ৰতিষ্ঠান আৰু গোলাঘাটত এটা মন্দিৰ ক্ষতিগ্ৰস্ত হৈছে। ১০ হেক্টৰ কৃষিভূমি ক্ষতিগ্ৰস্ত হৈছে। বিভিন্ন এলেকাত বিদ্যুৎ বিভাগৰ পাৱাৰ হাউচ বেয়াকৈ ক্ষতিগ্ৰস্ত হোৱাত বিদ্যুৎ যোগান বন্ধ কৰিবলৈ বাধ্য হৈছে। যাৰ বাবে ৰাজ্যৰ বিভিন্ন প্ৰান্তত অন্ধকাৰত কটাবলগীয়া হৈছে নাগৰিকে।



আশীৰ্বাদ দিছো বোপাইঃ দেওবাৰে ডিমৌত গৌৰৱ গগৈৰ প্ৰচাৰ

# শিলচৰত ৰাধেশ্যাম বিশ্বাসৰ মনোনয়ন দাখিল

**ই-সংবাদ, ১ এপ্ৰিল, শিলচৰঃ** বিৰোধী মিত্ৰজোঁটক প্ৰত্যাহ্বান জনাই আজি অসমত তৃণমূল কংগ্ৰেছে প্ৰথমগৰাকী প্ৰাৰ্থীৰ মনোনয়ন দাখিল কৰে। বঙালী ভোটাৰে নিৰ্ণায়ক ভূমিক গ্ৰহণ কৰি অহা বৰাক উপত্যকাৰ শিলচৰ লোকসভা সমষ্টিত আজি তৃণমূল কংগ্ৰেছৰ প্ৰাৰ্থী ৰাধেশ্যাম বিশ্বাসে মনোনয়ন দাখিল কৰে। পুৰাই ৰাজ্যিক সভাপতি ৰিপুণ বৰা আৰু সাংসদ সুস্মিতা দেৱৰ উপস্থিতিত বৰাক কংগ্ৰেছৰ প্ৰয়াত নেতা সন্তোষ মোহন দেৱৰ আৱক্ষ মূৰ্তিত শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰি ৰাধেশ্যাম বিশ্বাসে মনোনয়ন দাখিল কৰে। ঢোল-তাল বজাই কেইবা শ তৃণমূল কংগ্ৰেছৰ নেতা-কৰ্মীয়ে কাছাৰ জিলা তৃণমূল কংগ্ৰেছ কাৰ্যালয়ৰ পৰা সমদল উলিয়াই জিলা উপায়ুক্তৰ কাৰ্যালয়ত উপস্থিত হয়। তাৰ পাছতে ৰিপুণ বৰা আৰু সাংসদ সুস্মিতা দেৱৰ উপস্থিতিত প্ৰাৰ্থী ৰাধেশ্যাম বিশ্বাসে মনোনয়ন দাখিল কৰে। তৃণমূল কংগ্ৰেছৰ সভাপতি ৰিপুণ বৰাই এই যুঁজ বিৰোধীৰ বিৰুদ্ধে নহয়, যুঁজ বিজেপি চৰকাৰৰ বিৰুদ্ধেহে বুলি কয়। লোকসভা নিৰ্বাচনত ৰাইজে এই যুঁজখন যুঁজি বিজেপি চৰকাৰক দেখুৱাব বুলি দাবী কৰি ৰিপুণ বৰাই কয় যে বিজেপিয়ে আশ্বাসৰ বাহিৰে একো দিব নোৱাৰিলে। বিজেপি চৰকাৰৰ কাৰ্যকালত দেশত নিবনুৱা সমস্যা হ্ৰাস পোৱা নাই, বৃদ্ধিহে পাইছে। কাছাৰ কাগজ কলৰ পুনৰ উজ্জীৱিত কৰাৰ প্ৰতিশ্ৰুতি পালন নকৰাত ৩ লাখ কৰ্মচাৰীয়ে চাকৰি হেৰুৱাইছে। সমস্যাসমূহৰ সমাধানৰ বাবে তৃণমূল কংগ্ৰেছৰ প্ৰাৰ্থী ৰাধেশ্যাম বিশ্বাসৰ সমৰ্থনত জাতি, ধৰ্ম, নিৰ্বিশেষে একত্ৰিত হ'বলৈ আহ্বান জনাই বৰাই।

# গোলাঘাটত ধুমুহা-শিলাবৃষ্টিত বিস্তৰ ক্ষতি

**ই-সংবাদ, ১ এপ্ৰিলঃ** দেওবাৰৰ নিশাৰ প্ৰচণ্ড ধুমুহা-শিলাবৃষ্টিত গোলাঘাট জিলাত ঘৰ-দুৱাৰ ভাঙি বহু পৰিয়ালৰ বিস্তৰ ক্ষতিসাধন হয়। ঘৰৰ টিনপাত উৰুৱাই নিয়াত হাহাকাৰ কৰিবলগীয়া হয় বহু পৰিয়ালে। বহু পৰিয়াল গৃহহাৰা হৈ পৰে। প্ৰচণ্ড ধুমুহা আৰু শিলাবৃষ্টিৰ ফলত খুমটাইৰ মৌখোৱা, ডাবিডুবিকে ধৰি বহুকেইখন গাঁৱৰ বিস্তৰ ক্ষতিসাধন হয়। মৌখোৱাৰ ডেৰ শতাধিক পৰিয়ালৰ বাসগৃহ উৰুৱাই নিয়ে ধুমুহাই। সপোনৰ ঘৰখন ভাঙি চুৰমাৰ কৰাত হাহাকাৰ কৰিবলগীয়া হয় বহু পৰিয়ালে। পৰিয়ালসমূহৰ থাকিবলৈ ঘৰ নোহোৱা হৈ পৰে।

## প্ৰতিগৰাকী বাহনৰ গৰাকীলৈ উপ-পৰিবহণ আয়ুক্তৰ কৃতজ্ঞতা

# অভিলেখ! ৪৭০ কোটিৰো অধিক ৰাজহ সংগ্ৰহ কামৰূপ মেট্ৰ'ৰ পৰিবহণ বিভাগত

**গুৱাহাটী, ১ এপ্ৰিলঃ** ২০২৩-২৪ বিত্তীয় বৰ্ষত কামৰূপ মহানগৰ জিলা পৰিবহণ বিষয়াৰ কাৰ্যালয়ে সৰ্বকালৰ সৰ্বাধিক ৪৭০ কোটিৰো অধিক টকাৰ যান-বাহনৰ ৰাজহ সংগ্ৰহ কৰি পৰিবহণ বিভাগৰ ইতিহাসত নজিৰ সৃষ্টি কৰে । কাৰ্যালয়টোৱে যোৱা ২০২২-২৩ বিত্তীয় বৰ্ষত সংগ্ৰহ কৰা ৰাজহৰ পৰিমাণ আছিল ৩৬৪, ৯৪, ৫০,৮৬৯ টকা। ইয়াৰ বিপৰীতে কাৰ্যালয়টোৱে এইবাৰ ৰাজ্যৰ ৰাজকোষলৈ পূৰ্বতকৈ ১০৬কোটিৰ অধিক অৰ্থাৎ ৪৭০ কোটি ১০লাখ ৬ হাজাৰ ৪৩ (৪৭০,১০,০৬,০৪৩)টকাৰ ৰাজহৰ উল্লেখনীয় বৰঙনি আগবঢ়াবলৈ সক্ষম হৈছে। উল্লেখ্য যে, ৰাজ্যৰ উপ-পৰিবহণ আয়ুক্ত তথা অতিৰিক্ত দায়িত্বৰাহী কামৰূপ মহানগৰ জিলা পৰিবহণ বিষয়া গৌতম দাসৰ তত্বাৱধানত কাৰ্যালয় টোৱে বিগত বৰ্ষসমূহত ৰাজহ সংগ্ৰহত সৃষ্টি কৰা অভিলেখ চলিত বৰ্ষতো অব্যাহত থকা, বৰঞ্চ এইবাৰ পূৰ্বৰ সকলো অভিলেখ ভঙ্গ কৰি সৰ্বাধিক ৰাজহ সংগ্ৰহেৰে নজিৰ সৃষ্টি কৰা কাৰ্যত কাৰ্যালয়টোৰ বিষয়া-কৰ্মচাৰীসকল স্বাভাৱিকতেই উৎফুল্লিত হৈ পৰে আৰু বিষয়া গৰাকীক উষ্ম অভিনন্দন জনায়। চলিত বিত্তীয় বৰ্ষত ৰাজহ সংগ্ৰহৰ ক্ষেত্ৰত দেখুওৱা বিৰল আৰু অনুকৰণীয় দৃষ্টান্তৰ বাবে উপ-পৰিবহণ আয়ুক্ত তথা অতিৰিক্ত দায়িত্বৰাহী কামৰূপ মহানগৰ জিলা পৰিবহণ বিষয়াগৰাকীয়ে জিলা পৰিবহণ বিষয়া (প্ৰৱৰ্তক) হিমাংশু কুমাৰ দাসৰ নেতৃত্বত প্ৰৱৰ্তক পৰিদৰ্শকৰ দলে অবিৰতভাৱে যান-বাহনত চলোৱা তালাচী অভিযান আৰু সজাগতামূলক কাৰ্যসূচী অন্যতম উল্লেখনীয় দিশ বুলি মন্তব্য কৰে। বিশেষকৈ সময়মতে যানবাহনৰ যাৱতীয় কৰ পৰিশোধ আৰু নথিপত্ৰ নৱীকৰণৰ ক্ষেত্ৰত লবলগীয়া সাৱধানতা সন্দৰ্ভত বাহনৰ গৰাকীক প্ৰায় নিয়মীয়াকৈ সজাগ-সচেতন কৰি অহা সংবাদ মাধ্যমক উপ-পৰিবহণ আয়ুক্ত গৰাকীয়ে বিশেষভাৱে কৃতজ্ঞতা জ্ঞাপন কৰে। যোৱা দিনবিলাকত পৰিবহণ বিভাগে জনোৱা আহ্বানলৈ বাহনৰ গৰাকীসকলে আন্তৰিকতাৰে সহযোগিতা আগবঢ়োৱাৰ বাবেই আজি কামৰূপ মহানগৰ জিলা পৰিবহণ বিষয়াৰ কাৰ্যালয়ে ৰাজহ সংগ্ৰহৰ ক্ষেত্ৰত অভিলেখ সৃষ্টিৰ ধাৰা দোপতদোপে অব্যাহত ৰাখিবলৈ সক্ষম হোৱা বুলিও তেওঁ কয়। এই আপাহতে উপ পৰিবহণ আয়ুক্ত গৰাকীয়ে সাম্প্ৰতিক সময়ত সকলোৰে বাবে প্ৰত্যাহ্বানস্বৰূপ হৈ পৰা পথ দুৰ্ঘটনা ৰোধৰ ক্ষেত্ৰত সকলোকে যানবাহন চালনাৰ নীতিনিয়ম মানি চলি অসমক এখন দুৰ্ঘটনামুক্ত ৰাজ্য হিচাপে গঢ়ি তুলিবলৈ সবিনয়ে আহ্বান জনায় ।

# মৰিগাঁৱত জিলা উন্নয়ন সমিতিৰ বিশেষ বৈঠক সম্পন্ন, বুজ ল'লে কাম-কাজৰ

**ই-সংবাদ, মৈৰাবাৰী, ১ এপ্ৰিলঃ** মৰিগাঁৱৰ জিলা আয়ুক্তৰ কাৰ্যালয়ৰ সভাকক্ষত আজি জিলা উন্নয়ন সমিতিৰ মাৰ্চ মাহৰ বৈঠক অনুষ্ঠিত হয়। জিলা আয়ুক্ত দেৱাশীষ শৰ্মাৰ সভাপতিত্বত অনুষ্ঠিত বৈঠকত জিলা আয়ুক্তগৰাকীয়ে প্ৰতিটো বিভাগক পাৰস্পৰিক সহযোগিতা আৰু সমন্বয়েৰে কাম কৰিবলৈ নিৰ্দেশ দিয়ে। জিলা আয়ুক্তগৰাকীয়ে লোকনিৰ্মাণ (গৃহ) বিভাগৰ কামৰ পৰ্যালোচনা কৰি নতুন আৱৰ্ত ভৱন আৰু সমন্বিত জিলা আয়ুক্তৰ কাৰ্যালয় নিৰ্মাণৰ বিষয়টো অগ্ৰাধিকাৰ ভিত্তিত লৈ কাম কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। লোকনিৰ্মাণ পথ বিভাগৰপৰা জিলা আয়ুক্তৰ কাৰ্যালয়ৰ সন্মুখেৰে যোৱা গৌৰৱ পথটোৰ কামৰ অগ্ৰগতিৰ বুজ লয়। বন বিভাগৰ পৰ্যালোচনা কৰি তেওঁ অবৈধ কাঠফলা মিলসমূহ বন্ধ কৰাৰ ক্ষেত্ৰত কঠোৰ হ'বলৈ বিভাগটোক নিৰ্দেশ দিয়ে। স্বাস্থ্য বিভাগৰ কাম-কাজৰ বুজ লৈ তেওঁ স্বাস্থ্য সেৱাৰ যুটীয়া সঞ্চালকক মৰিগাঁও অসামৰিক চিকিৎসালয়ত চিকিৎসকৰ নিয়মীয়া উপস্থিতি সুনিশ্চিত কৰা, চিকিৎসালয়ত দালালৰ উপস্থিতি নোহোৱা কৰা, কোনো চিকিৎসকে যাতে অসাধু উপায়েৰে ৰোগীৰ পৰা ধন ল'ব নোৱাৰে সেয়া সুনিশ্চিত কৰিবলৈ নিৰ্দেশ দিয়ে। বৈধ পৰিমাপ বিভাগক জিলাখনৰ সকলো পেট্ৰ'ল পাম্পত সময়ে সময়ে অভিযান চলাই সম্ভাব্য অনিয়ম ৰোধ কৰাৰ নিৰ্দেশ দিয়ে। জিলা আয়ুক্তগৰাকীয়ে উদ্যোগ আৰু বাণিজ্য বিভাগ, হস্ততাঁত আৰু বস্ত্ৰশিল্প, দুগ্ধ উন্নয়ন, শিক্ষা, সমাজ কল্যাণ, শ্ৰম, অৰ্থনীতি আৰু পৰিসংখ্যা, ক্ৰীড়া, আবকাৰী, নিয়োগ বিনিময় কেন্দ্ৰ, কৃষি আদি বিভাগৰো কাম-কাজৰ পৰ্যালোচনা কৰে। সভাত জিলা উন্নয়ন আয়ুক্ত সিদ্ধাৰ্থ গোস্বামীয়ে পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ পৰ্যালোচনা কৰি এম জি এনৰেগাৰ কৰ্মীসকলৰ আধাৰ সংযোগ ক্ষীপ্ৰতৰ কৰাত গুৰুত্ব আৰোপ কৰে। তেওঁ ৰেচম, মীন, জলসম্পদ, জলসিঞ্চন, লোকনিৰ্মাণ (ৰাষ্ট্ৰীয় ঘাইপথ) আৰু জনস্বাস্থ্য কাৰিকৰী বিভাগৰ কাম-কাজৰো অগ্ৰগতিৰ বুজ লয়। সভাত বিভিন্ন বিভাগৰ মুৰব্বী বিষয়াসকল উপস্থিত আছিল।

## চৰকাৰী শিক্ষানুষ্ঠানত নামভৰ্তিৰ বাবে অভিভাৱকৰ ভিৰ

# চৰকাৰী খণ্ডৰ বিদ্যালয়ৰ প্ৰয়োজন কিমান? প্ৰমাণ কৰিলে বজালীৰ অভিভাৱকে

**ই-সংবাদ, ১ এপ্ৰিলঃ** নামনি অসমৰ বজালীত ৰাজহুৱা খণ্ডৰ এখন অসমীয়া মাধ্যমৰ বিদ্যালয়ত এক ব্যতিক্ৰমী পৰিবেশ দেখা গৈছে৷ সততে দেখা নোপোৱা এই দৃশ্যই ৰাজহুৱা খণ্ডৰ অসমীয়া মাধ্যমৰ বিদ্যালয়ৰ প্ৰতি সহানুভূতি নিশ্চয়কৈ বৃদ্ধি কৰিব৷ ৰাজহুৱা খণ্ডৰ অসমীয়া মাধ্যমৰ বিদ্যালয়সমূহ চৰকাৰে বন্ধ কৰি শিক্ষা ব্যৱস্থাক ব্যক্তিগত খণ্ডৰ হাতলৈ ঠেলি দিয়াৰ সময়তে বজালীৰ এখন বিদ্যালয়ত নামভৰ্তিৰ বাবে অভিভাৱকে শাৰী পাতি থকা দৃশ্যই নতুন আশা কঢ়িয়াই আনিছে৷ ৰাজ্য চৰকাৰে ৰাজহুৱা শিক্ষাখণ্ডৰ অধীনৰ প্ৰাথমিক, উচ্চ মাধ্যমিক আৰু উচ্চতৰ মাধ্যমিক বিদ্যালয়সহ ৬২৬২ খন চৰকাৰী বিদ্যালয় বন্ধ কৰিছে৷ ৰাজ্য চৰকাৰে ৭৯ খন মহাবিদ্যালয় সম্পূৰ্ণ ৰূপে বন্ধ কৰাৰ সিদ্ধান্ত লৈছিল৷ কিন্তু দৰিদ্ৰ, খাটিখোৱা আৰু মধ্যবিত্তৰ শিক্ষা আহৰণৰ একমাত্ৰ সম্বল হৈছে ৰাজহুৱা শিক্ষাখণ্ডৰ স্কুলকেইখন৷ কিন্তু ৰাজ্য চৰকাৰে এফালৰ পৰা ৰাজহুৱা শিক্ষাখণ্ডৰ স্কুলসমূহ বন্ধ কৰি অহাৰ সময়তে চৰকাৰী শিক্ষানুষ্ঠানত নামভৰ্তিৰ বাবে অভিভাৱকে ভিৰ কৰাৰ দৃশ্যই এক আশাৰ সঞ্চাৰ কঢ়িয়াই আনিছে৷ ঐতিহাসিক বজালী উচ্চতৰ মাধ্যমিক বিদ্যালয়ত সন্তানক নামভৰ্তি কৰিবলৈ ওলাই আহিছে অভিভাৱক। কিয়নো বিগত সময়ত বজালী উচ্চতৰ মাধ্যমিক বিদ্যালয়ত সুন্দৰ শৈক্ষিক পৰিৱেশ গঢ়ি উঠিছে। শিক্ষকৰ প্ৰয়াসত ভাল ফলাফল কৰিবলৈ সক্ষম হৈছে একাংশ ছাত্ৰই। যাৰ বাবে এতিয়া নতুন বৰ্ষৰ নামভৰ্তিৰ বাবে ভিৰ বাঢ়িছে বজালী উচ্চতৰ মাধ্যমিক বিদ্যালয়ত।সততে ব্যক্তিগত বিদ্যালয়তহে এনে দৃশ্য দেখা যায়। কিন্তু ব্যক্তিগত বিদ্যালয়তৰ পৰিৱৰ্তে বজালীউচ্চতৰ মাধ্যমিক বিদ্যালয়ত নামভৰ্তিৰ বাবে ছাত্ৰ আৰু অভিভাৱকে হেতাওপৰা লগাইছে। পুৱাৰে পৰা বিদ্যালয়ৰ সন্মুখত ভিৰ কৰিছে অভিভাৱকে। ৰাজহুৱা খণ্ডৰ অসমীয়া মাধ্যমৰ বিদ্যালয়ত সন্তানৰ নামভৰ্তি নকৰা হৈছে একাংশ অভিভাৱকে। ব্যক্তিগত খণ্ডৰ ইংৰাজী মাধ্যমৰ বিদ্যালয়ক প্ৰাধান্য দিয়া হৈছে অভিভাৱকে। কিন্তু দৰিদ্ৰ আৰু মধ্যবিত্তই নিজ সন্তানক মাচুলৰ বাবে ব্যক্তিগত খণ্ডৰ বিদ্যালয়ত পঢ়াব নোৱাৰে৷ যাৰ বাবে ৰাজ্যৰ ৰাজহুৱা খণ্ডৰ অসমীয়া মাধ্যমৰ প্ৰতিখন বিদ্যালয় জৰুৰী৷

# ৪ খন আসনত গণ সুৰক্ষা পাৰ্টিৰ প্ৰাৰ্থী জয়ী হোৱাৰ দাবী নব শৰণীয়াৰ



**ই-সংবাদ, তামুলপুৰ ১ এপ্ৰিলঃ** আজি কোকৰাঝাৰ লোকসভা সমষ্টিৰ সাংসদ নব কুমাৰ শৰণীয়াই গৃহ জিলা তামুলপুৰত উপস্থিত হৈ বিটিআৰৰ প্ৰতিটো বিধানসভা সমষ্টিত ৬০ হাজাৰকৈ ভোট পায় জয়ী হোৱাৰ দাবী কৰে৷ কোকৰাঝাৰ সমষ্টিত জয়ী হোৱাটো নিশ্চিত বুলি কোৱাৰ লগতে দৰং-ওদালগুৰি সমষ্টিত এইবাৰ বড়ো ভোট বিজেপিৰ পক্ষত যোৱাৰ কোনো সম্ভাৱনা নাই বুলি দাবী কৰে৷ গণ সুৰক্ষা পাৰ্টিৰ তামুলপুৰস্থিত কাৰ্যালয়ত দৰং-ওদালগুৰি লোকসভা সমষ্টিৰ গণ সুৰক্ষা পাৰ্টিৰ প্ৰাৰ্থী ড০ স্বৰ্ণা দেৱীৰ উপস্থিতিত শৰণীয়াই সাংসদ দিলীপ শইকীয়াকো আক্ৰমণৰ লক্ষ্য কৰি লয়৷ সাংসদ নব কুমাৰ শৰণীয়াই কয় যে বিগত দিনত সাংসদ দিলীপ শইকীয়াই বিটিআৰৰ ৰাইজৰ উন্নয়নৰ বাবে সদনত কোনো মাত মতা নাই। দৰং-ওদালগুৰিত বিপিএফে তিনি লাখ ভোট পালেও আমাৰভোট নাযায়৷ এইখিনি বিজেপিৰ ভোট যাব বুলি মন্তব্য কৰে সাংসদ নব কুমাৰ শৰণীয়াই। আমি৪ টা লোকসভা সমষ্টি ডিফু, নগাঁও, দৰং-ওদালগুৰি আৰু কোকৰাঝাৰত আমাৰপ্ৰাৰ্থী নিৰ্বাচনত অৱতীৰ্ণ হ'ব৷ চাৰিখনে আখন লাভ কৰিব বুলিও দাবী কৰে। দৰং-ওদালগুৰিৰ প্ৰাৰ্থী ড০ স্বৰ্ণা দেৱীয়ে এইবাৰ দৰং-ওদালগুৰি সমষ্টিটোত সমাজ নীতি শ্ল'গানেৰে ভোটাৰ ৰাইজৰ কাষ চাপিম বুলি মন্তব্য কৰে। ২ লাখ ভোটৰ ব্যৱধানত জয়ী হোৱাৰ আশা প্ৰকাশ কৰে প্ৰাৰ্থীগৰাকীয়ে। সাংসদ দিলীপ শইকীয়াৰ লগতে প্ৰতিদ্বন্দ্বিতা হ'ব বুলি মন্তব্য প্ৰাৰ্থীগৰাকীৰ৷

## দৰং-ওদালগুৰি, কোকৰাঝাৰত এনডিএৰ প্ৰাৰ্থীক সমৰ্থনৰ ঘোষণা

# প্ৰমোদ বড়োৰে প্ৰাক্তন আলফা ঐক্য মঞ্চৰ বিশেষ বৈঠক

**ই-সংবাদ, তামুলপুৰ, ১ এপ্ৰিলঃ** বিটিআৰৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়োৰ সৈতে গুৰুত্বপূৰ্ণ বৈঠক কৰে প্ৰাক্তন আলফা ঐক্য মঞ্চৰ নেতৃত্বই৷ বিটিআৰ প্ৰধান প্ৰমোদ বড়োৰ তামুলপুৰস্থিত বাসগৃহত অনুষ্ঠিত বৈঠকত প্ৰাক্তন আলফা ঐক্যমঞ্চৰ কাৰ্যকৰী সভাপতি লোহিত দেউৰী ওৰফে সহদেৱ দাস, তামুপলপুৰ জিলা প্ৰাক্তন আলফা ঐক্যমঞ্চৰ সভাপতি তিলক লহকৰ, উপ-সভাপতি জিতেন দাসসহ অৰ্ধ শতাধিক প্ৰাক্তন আলফা সদস্যই প্ৰমোদ বড়োৰ সৈতে আলোচনাত বহে৷ বৈঠকৰ পাছতে লোকসভা নিৰ্বাচনত বিটিআৰৰ দৰং-ওদালগুৰি আৰু কোকৰাঝাৰ সমষ্টিৰ এনডিৰএৰ প্ৰাৰ্থী দিলীপ শইকীয়া আৰু জয়ন্ত বসুমতাৰীক সমৰ্থন কৰাৰ ঘোষণা কৰে প্ৰাক্তন আলফা ঐক্য মঞ্চই৷ বৈঠকৰ অন্তত প্ৰাক্তন আলফা ঐক্যমঞ্চৰ কাৰ্যকৰি সভাপতি লোহিত দেউৰীয়ে কয় যে বৰ্তমান ৰাজনীতি গোটেই ভাৰতবৰ্ষত বিজেপিৰ সপক্ষে আছে৷ এইবাৰো কেন্দ্ৰত নৰেন্দ্ৰ মোদীৰ নেতৃত্বত বিজেপিৰ চৰকাৰ গঠন হোৱাটো নিশ্চিত৷ নৰেন্দ্ৰ মোদী তৃতীয়বাৰৰ বাবে দেশৰ প্ৰধান মন্ত্ৰী হ'ব৷ আনহাতে লোহিত দেউৰীয়ে বৰ্তমানৰ অসমৰ মুখ্যমন্ত্ৰীগৰাকীয়ে অসমৰ জনসাধৰণৰ হৈ যথেষ্ট ভাল কাম কৰিছে বুলিও কয়৷ প্ৰাক্তন আলফা ঐক্যমঞ্চৰ কাৰ্যকৰি সভাপতি লোহিত দেউৰীয়ে ৰাজ্যত তেনকুৱা মুখ্যমন্ত্ৰী পুনৰ পাঁচ বছৰৰ বাবে হ'ব লাগে বুলি উল্লেখ কৰে৷ লোহিত দেউৰীয়ে কয় যে ইতিমধ্য কেন্দ্ৰীয় চৰকাৰৰ লগত আলফাৰ এখন চুক্তি হৈ গ'ল৷ চুক্তিৰ জড়িয়তে আলোচনাপন্থী আলফাসকলক বহুত দিছে আৰু বহুত পাবলৈ বাকী আছে৷ আলোচনাপন্থী আলফাৰ কল্যাণৰ কাৰণে বিজেপি চৰকাৰে লোৱা ব্যৱস্থাক নৈতিক সমৰ্থন জনাই বিজেপি মিত্ৰজোটলৈ সমৰ্থন আগবঢ়োৱা বুলি কয়৷ বিটিআৰৰ বাহিৰটো এনডিএৰ প্ৰাৰ্থীলৈও প্ৰাক্তন আলফা ঐক্যমঞ্চই মুকলি সমৰ্থন আগবঢ়াব বুলি সাংবাদিকৰ আগত সদৰি কৰে দেউৰীয়ে৷ ৰাজ্য তথা বিটিআৰত সম্প্ৰতি উন্নয়নৰ ঢল বৈছে বুলি দাবী কৰি প্ৰাক্তন আলফা নেতাগৰাকীয়ে আৰু কয় যে বিটিআৰ গঠন হোৱাৰ পিচত এটা শান্তিৰ বাতাৱৰণ সৃষ্টি হৈছে৷ বিটিআৰত বিভেদ কামী শক্তিক প্ৰতিহত কৰি শান্তি-শৃংখলা আৰু উন্নয়নৰ ধাৰা অব্যাহত ৰখাৰ স্বাৰ্থত প্ৰাক্তন আলফাই কাম কৰি যাব৷ আনহাতে প্ৰাক্তন আলফা তথা কোকৰাঝাৰ সমষ্টিৰ প্ৰাৰ্থী নৰকুমাৰ শৰণীয়াক বিগত নিৰ্বাচনত প্ৰাক্তন আলফাসকলে যথেষ্ট সহায় কৰিছিল যদিও নিৰ্বাচনৰ পাছত সাংসদ হৈ বিগত দহ বছৰে শৰণীয়াই এজনো প্ৰাক্তন আলফাক সহায় নকৰিলে আৰু শৰণীয়াই বিটিচিত বড়ো-অবড়োৰ এক বিভেদৰ বীজহে সিঁচি দিলে বুলি কয় প্ৰাক্তন আলফা ঐক্য মঞ্চই৷ এইবাৰ নৰ কুমাৰ শৰণীয়া নিৰ্বাচনত পৰাজয় বৰণ কৰিব বুলিও মন্তব্য কৰে প্ৰাক্তন আলফা ঐক্য মঞ্চৰ কাৰ্যকৰী সভাপতি লোহিত দেউৰীয়ে৷ উল্লেখ্য যে, নিৰ্বাচনৰ প্ৰাকক্ষণত আজি অনুষ্ঠিত এই বৈঠকে বিটিআৰৰ ৰাজনীতিৰ বাবে তাৎপৰ্য বহন কৰিছে।

# পুখুৰীৰ মাছ পহৰা দিয়াৰ সময়তে লাহৰীঘাটত বজ্ৰ পৰি নিহত দশম শ্ৰেণীৰ ছাত্ৰ



**ই-সংবাদ, লাহৰীঘাট, ১ এপ্ৰিলঃ** মৰিগাঁও জিলাৰ লাহৰীঘাটৰ অমৰাগুৰি গাঁও পঞ্চায়তৰ দোৱামাৰীত বজ্ৰ পৰি ১৫ বছৰীয়া কিশোৰ নিহত হোৱাৰ ঘটনাই তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে৷ দোৱামাৰী গাঁৱৰ মজিবুৰ ৰহমানৰ পুত্ৰ আমিনুল ইছলাম নিহত হোৱা বুলি জানিব পৰা গৈছে৷ আমিনুল ইছলাম দেৱাগুৰিৰ এখন ব্যক্তিগত খণ্ডৰ বিদ্যালয়ত দশম শ্ৰেণীৰ ছাত্ৰ আছিল। জানিব পৰা মতে, অইন দিনাৰ দৰে পিতৃ মজিবুৰ ৰহমানৰ সৈতে আমিনুলে নিজৰ ঘৰৰ পৰা প্ৰায় ৪০০ মিটাৰ নিলগত নিজ পুখুৰীত মাছ পহৰা দিবলৈ গৈছিল৷ পহৰা দি ছেহেৰী খাই পিতৃৰ সৈতে সৰু জুপুৰিৰ বিছনাত শুই আছিল আমিনুল। পুৱা প্ৰচণ্ড জোৰে বিজুলী ঢেৰেকণিৰ সৈতে বজ্ৰপাত পৰাত আমিনুল ইছলাম শুই থকা বিছনাৰ পৰা মাটিত বাগৰি পৰে। বজ্ৰপাতৰ প্ৰচণ্ড শব্দত আমিনুলৰ পিতৃ অচেতন হৈ পৰে। কিছু সময় পাছত স্থানীয় লোকে চিকিৎসাৰ বাবে মৰিগাঁৱলৈ নিয়ে যদিও পুত্ৰক মৃত ঘোষণা কৰে।

# ধনশিৰি নিৰ্বাচনী জিলাৰ শুভংকৰ 'প্ৰেৰণা' উন্মোচন

**ই-সংবাদ, সৰুপথাৰ, ১ এপ্ৰিলঃ** ধনশিৰি জিলা নিৰ্বাচনী বিষয়া শ্ৰেয়া সিংহলে আজি ধনশিৰি নিৰ্বাচনী জিলাৰ বাবে নিৰ্বাচনী শুভংকৰ (Mascot) আনুষ্ঠানিক ভাবে উন্মোচন কৰে। 'প্ৰেৰণা' শীৰ্ষক শুভংকৰ মুকলি কৰি ভোটাৰক ভোটদানৰ প্ৰতি আকৰ্ষিত কৰাৰ প্ৰয়াস কৰে প্ৰশাসনে। অসমৰ ক্ৰীড়াৰ অন্যতম প্ৰাণকেন্দ্ৰ ধনশিৰি মহকুমাৰ নাৰী তথা যুৱ ভোটাৰ শক্তিক উৎসাহিত কৰাৰ মানসেৰে নিৰ্বাচনী শুভংকৰ মুকলি কৰা হয়। শুভংকৰে গণতন্ত্ৰক ইন্ধন যোগোৱা যুৱ ভোটাৰ শক্তিক প্ৰতিনিধিত্ব কৰিছে যিয়ে জনসাধাৰণৰ বাবে, জনসাধাৰণৰ দ্বাৰা আৰু জনসাধাৰণক পূৰ্ণতা প্ৰদান কৰিব। ধনশিৰি জিলা নিৰ্বাচনী বিষয়াগৰাকীয়ে ক্ৰীড়া জগতত ধনশিৰিৰ যি সুনাম, সেই সুনাম যাতে ১৯ এপ্ৰিলত ভোটদান সাব্যস্ত কৰি সকলোৱে অক্ষুণ্ণ ৰাখে তাৰ বাবে সকলোকে আহ্বান জনায়। কাৰ্যসূচীটোত জনতা ভূমিকা উল্লেখনীয়।

# যুৱ ভোটাৰক উৎসাহী কৰিবলৈ ছাত্ৰ-ছাত্ৰীৰে মত-বিনিময় জিলা আয়ুক্তৰ

**ই-সংবাদ, মৈৰাবাৰী, ১ এপ্ৰিলঃ** লোকসভা নিৰ্বাচনত যুৱ ভোটাৰসকলক ভোটদানৰ প্ৰতি উৎসাহি কৰিবলৈ বিশেষ পদক্ষেপ গ্ৰহণ কৰিছে মৰিগাঁও জিলা আয়ুক্তই। মৰিগাঁও জিলা নিৰ্বাচনী জিলাৰ বিষয়া তথা জিলা আয়ুক্ত দেৱাশীষ শৰ্মাই ছাত্ৰ-ছাত্ৰীৰ মাজত ভোটদানক লৈ সজাগতা সৃষ্টিৰ প্ৰয়াস কৰিছে। আজি মৰিগাঁও মহাবিদ্যালয়ত উপস্থিত হৈ জিলা আয়ুক্তগৰাকীয়ে ছাত্ৰ-ছাত্ৰীৰ সৈতে মত বিনিময় কৰি প্ৰতিজন শিক্ষাৰ্থীকে ভোটদান কৰিবলৈ আহ্বান জনায়। জিলা আয়ুক্ত দেৱাশীষ শৰ্মাই কয় যে ভাৰতীয় সংবিধানৰ প্ৰস্তাৱনাত 'আমি ভাৰতীয় জনগণ' বুলি আৰম্ভ কৰা শব্দৰ ভিতৰতে সংবিধানখনৰ মহত্ব। ভোটদান কেৱল এটা অধিকাৰ নহয়, বৰং ৰাষ্ট্ৰৰ প্ৰতি, সমাজৰ প্ৰতি এক দায়বদ্ধতা। ছাত্ৰ-ছাত্ৰীসকলক নিজৰ দায়িত্ব পালন কৰি ভোটাধিকাৰ সাব্যস্ত কৰি একোগৰাকী ভৱিষ্যতৰ সু-নাগৰিক হোৱাৰ পৰিচয় দাঙি ধৰিবলৈ আহ্বান জনায়। ছাত্ৰ-ছাত্ৰীসকলৰ মাজৰ পৰাই ভৱিষ্যতৰ সম্ভাৱনাপূৰ্ণ নেতাও সৃষ্টি হ'ব লাগিব বুলি মন্তব্য কৰে। নগাঁও লোকসভা সমষ্টিৰ অধীনৰ মৰিগাঁও নিৰ্বাচনী জিলাত অহা ২৬ এপ্ৰিলত ভোটগ্ৰহণ সম্পন্ন হ'ব।



যুৱ ভোটাৰসকলক আগত লৈ মৰিগাঁৱৰ আয়ুক্ত দেৱাশীষ শৰ্মাৰ ভাষণ

# লাহৰীঘাটত চলিছে বগা চাউলৰ ক'লা বেহা

ই-সংবাদ, লাহৰীঘাট, ১ এপ্ৰিলঃ বগা চাউলৰ ক'লা বেহা আৰম্ভ হৈছে মৰিগাঁও জিলাৰ লাহৰীঘাটত। লাহৰীঘাটত সমবায় সমিতিত ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা আঁচনিৰ বৃহৎ পৰিমাণৰ কেলেংকাৰী সংঘটিত হোৱাৰ অভিযোগ উত্থাপন হৈছে। বগা চাউলৰ কেলেংকাৰী উন্মোচন কৰিলে মৰিগাঁও জিলা যোগান বিভাগে। লাহৰীঘাটৰ নগাবন্ধা সমবায় সমিতিত এজেণ্টসকলক কমকৈ চাউল দিয়াৰ অভিযোগ দীৰ্ঘদিন ধৰি উত্থাপন হৈ আহিছিল। সেই অভিযোগৰ ভিত্তিত মৰিগাঁও জিলা যোগান বিভাগৰ সহকাৰী সঞ্চালক মতিনুৰ ৰহমানে নগাবন্ধা সমবায় সমিতিত তদন্ত আৰম্ভ কৰে। সহকাৰী সঞ্চালক মতিনুৰ ৰহমানৰ তদন্তত সমিতিৰ গুদামত ৮৮ কুণ্টইল চাউল বেছিকৈ পায়। এই ৮৮ কুণ্টইল চাউল কৰ পৰা গুদামত আহিল তাকে লৈ ৰহস্যৰ সৃষ্টি হৈছে। এজেণ্টসকলক কমকৈ চাউল দিয়াৰ পূৰ্বৰে পৰা উত্থাপিত অভিযোগ সঁচা প্ৰমাণিত হোৱা বুলিও দাবী কৰিছে একাংশ লোকে। সহকাৰী সঞ্চালকগৰাকীয়ে সমবায় সমিতিৰগুদামত মজুত থকা ৪৮৪ কুণ্টইল চাউল বাজেয়াপ্ত কৰে। সমবায় সমিতিৰ বিভিন্ন ধৰণৰ নথিপত্ৰ জব্দ কৰে। সমবায় সমিতিখনে এজেণ্টক কমকৈ চাউল বিতৰণ কৰি ৰাহি চাউলখিনি অধিক দামত ক'লা ব্যৱসায়ীৰ হাতত তুলি দিয়ে। নগাবন্ধা সমবায় সমিতিৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলি সহকাৰী সঞ্চালক মতিনুৰ ৰহমানে জানিব দিয়ে। লাহৰীঘাট অঞ্চলত বগা চাউলৰ ব্যৱসায়ৰ এটা ডাঙৰ চক্ৰ আছে। সহকাৰী সঞ্চালক মতিনুৰ ৰহমানৰ বলিষ্ঠ পদক্ষেপত কিছুদিনৰ ভিতৰত লাহৰীঘাটৰ বগা চাউলৰ কেলেংকাৰীত ৪ খন সমবায় সমিতি নিলম্বন কৰাৰ লগতে ১ খন সমবায়ৰ অনুজ্ঞাপত্ৰ বাতিল কৰা হৈছে। শীঘ্ৰে লাহৰীঘাটত অব্যাহত থকা চৰকাৰী ক'লা ব্যৱসায় সমূলি উৎখাত কৰাৰ ক্ষেত্ৰত অধিক কঠোৰ হ'ব যোগান বিভাগৰ সহকাৰী সঞ্চালকগৰাকী।

# শেষ পৃষ্ঠা

## আই পি এলৰ খবৰ

# ৰিয়ানৰ বেটিং বিক্ৰমত বিধ্বস্ত মুম্বাই ইণ্ডিয়ানছ

**ই-সংবাদ, ১এপ্ৰিলঃ** IPL 2024ত ৰিয়ান পৰাগৰ ক্ৰমাগত দ্বিতীয়টো অৰ্ধ শতক অৰ্জন। ৰিয়ানৰ বেটিং বিক্ৰমেৰে মুম্বাই ইণ্ডিয়ানছৰ বিৰুদ্ধে ৰাজস্থান ৰয়েলছৰ ৬ উইকেটত জয় লাভ। ক্ৰমাগত তৃতীয়টো পৰাজয় মুম্বাইছ ইণ্ডিয়ানছৰ। ইয়াৰ বিপৰীতে একেৰাহে তিনিখন খেলত জয় ৰাজস্থান ৰয়েলছৰ। ৩৯টা বলত ৫৪ ৰাণ কৰি অপৰাজিত হৈ থাকিল ৰিয়ান পৰাগ। ৫টা চাৰি আৰু তিনিটা ছয়েৰে নিজৰ আকৰ্ষণীয় ইনিংছ সজালে ৰিয়ানে। এই দমনীয় প্ৰদৰ্শনেৰে ৰিয়ানে নিজৰ দখললৈ আনিলে অৰেঞ্জ কেপ। ৱাংখাড়েত ৰাজস্থান ৰয়েলছৰ হাতত ধৰাশায়ী হ'ল হাৰ্দিক পাণ্ডিয়া নেতৃত্বাধীন মুম্বাই ইণ্ডিয়ানছ দলটো। মুম্বাই ইণ্ডিয়ানছে প্ৰথমে বেটিং কৰি ৯টা উইকেট হেৰুৱাই ১২৫ ৰান সংগ্ৰহ কৰে। ইয়াৰ বিপৰীতে ৰাজস্থান ৰয়েলছে ১৫ অভাৰ ৩টা বলত ৪টা উইকেট হেৰুৱাই ১২৭ ৰান সংগ্ৰহ কৰি জয় লাভ কৰে।



IPLত সৰ্ব্বোচ্চ ৰানেৰে ৰিয়ানৰ দখলত 'অৰেঞ্জ কেপ'




# ৩২ গৰাকী অৱসৰপ্ৰাপ্ত শিক্ষক-কৰ্মচাৰীক অৱসৰকালীন লাভালাভৰ নিৰ্দেশপত্ৰ প্ৰদান

**ই-সংবাদ, মৈৰাবাৰী, ১ এপ্ৰিলঃ** মৰিগাঁও জিলাৰ বিদ্যালয়সমূহৰ পৰিদৰ্শকৰ কাৰ্যালয়ৰ সভাকক্ষত ফেব্ৰুৱাৰী মাহৰ পৰা অৱসৰ গ্ৰহণ কৰা শিক্ষক-কৰ্মচাৰীসকলক আজি আনুষ্ঠানিকভাৱে অৱসৰকালীন লাভালাভৰ নিৰ্দেশপত্ৰ প্ৰদান কৰা হয়। মাধ্যমিক শিক্ষা বিভাগৰ অধীনৰ ২৮ গৰাকী শিক্ষক-কৰ্মচাৰী আৰু প্ৰাথমিক শিক্ষাৰ চাৰিগৰাকী শিক্ষকসহ মুঠ ৩২ গৰাকী অৱসৰকালীন লাভালাভৰ নিৰ্দেশপত্ৰ প্ৰদান কৰি বিদায় সম্ভাষণ জনোৱা হয়। অনুষ্ঠানত প্ৰতিগৰাকী অৱসৰপ্ৰাপ্ত শিক্ষক-কৰ্মচাৰীক গামোচা পিন্ধাই জিলা আয়ুক্তগৰাকীয়ে শুভেচ্ছা জ্ঞাপন কৰে। প্ৰতিগৰাকী শিক্ষক আৰু কৰ্মচাৰীক তেওঁলোকে আগবঢ়োৱা সেৱাৰ বাবে ধন্যবাদ জ্ঞাপন কৰে জিলা আয়ুক্তই। জিলা আয়ুক্তই কয় যে জীৱনৰ অধিকাংশ সময় সেৱা আগবঢ়াই অৱসৰৰ পিছত পেন্সনৰ কাগজৰ বাবে যদি টেবুলে টেবুলে ঘূৰিবলগীয়া হয়, তেনেহ'লে তাতকৈ দুৰ্ভাগ্যজনক কথা হয়তো একো নাই। সময়ে মানুহৰ শৰীৰটো দুৰ্বল কৰিব পাৰে, কিন্তু মানুহৰ মনোবল আৰু মনৰ অদম্য শক্তিক কোনেও ৰোধ কৰিব নোৱাৰে। অৱসৰৰ পিছৰ জীৱনটোক নতুন জীৱনৰ দ্বিতীয় ইনিংছ বুলি উল্লেখ কৰি তেওঁ কয় যে প্ৰতিগৰাকী শিক্ষক-কৰ্মচাৰীয়ে এই ইনিংছত শতক অৰ্জন কৰিব লাগিব। মানুহৰ ভিতৰখন কেতিয়াও বুঢ়া নহয়, বয়সে কেতিয়াও মানুহক বুঢ়া কৰিব নোৱাৰে বুলি তেওঁ দৃঢ়তাৰে কয়। অনুষ্ঠানত কেইবাগৰাকীও বিখ্যাত কবি আৰু লেখকৰ কবিতা আৰু লেখাৰ উদ্ধৃতি দি কৰ্মজীৱনত প্ৰদৰ্শন কৰা কুশলতাৰ দৰেই অৱসৰৰ পিছতো কৰ্মোদ্যমী হৈ থাকিবলৈ আহ্বান জনায় জিলা আয়ুক্তই। সভাত মৰিগাঁও জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি প্ৰতাপ হাজৰিকাই কয় যে বহু চৰকাৰী বিদ্যালয়ত ছাত্ৰ-ছাত্ৰীৰ সংখ্যা হ্ৰাস পোৱাৰ পৰিপ্ৰেক্ষিতত দুই-তিনিখন বিদ্যালয় একত্ৰীকৰণ কৰা হৈছে অথবা বহু বিদ্যালয় নোহোৱা হৈছে। চৰকাৰী বিদ্যালয়ত ছাত্ৰ-ছাত্ৰীৰ পৰ্যাপ্ত উপস্থিতি সুনিশ্চিত কৰাৰ ক্ষেত্ৰত শিক্ষক কৰ্মচাৰীসকলৰো দায়িত্ব আছে বুলি তেওঁ উল্লেখ কৰে।




newsnextone.comৰ দ্বাৰা গুৱাহাটীৰ পৰা অনলাইনযোগে প্ৰকাশিত আৰু News Next Oneৰ কাৰ্যবাহী সম্পাদক ধ্ৰুৱজ্যোতি ধনন্তৰিৰ দ্বাৰা সম্পাদিত। ই-মেইলঃ newsnextne@gmail.com, যোগাযোগ/হোৱাটছএপ নম্বৰঃ ৯৩৬৫২২৫২৪৮

বাৰ্তা সম্পাদকঃ ওৱাহেদৰ ৰহমান